# তৃতীয় অধ্যায়

# বৃটিছ ভাৰতবৰ্ষৰ শিক্ষা ঃ ১৯ শতিকাৰ

# Anglo-Indian Education 19th Century

- উডৰ ঘোষণাপত্ৰ, ১৮৫৪ চন (Wood's Despatch of 1854)
- প্ৰতিবেদনৰ পটভূমি (Background of the Despatch)
- পৰামৰ্শসমূহ (Recommendations)
- ভাৰতীয় শিক্ষা আয়োগ ১৮৮২ চন (Indian Education Commission-1882)
- ভাৰতীয় শিক্ষা আয়োগৰ নিয়োগ (Appointment of Indian Education Commission)
- নিৰ্দেশৰ চৰ্ত্তাৱলী (Terms Reference)
- প্ৰধান পৰামৰ্শ (Major Recommendations)
- আয়োগৰ ওপৰত সমালোচনা (Criticism of the Commission)

## উডৰ প্ৰতিবেদন ১৮৫৪ চন (Wood's Despatch of 1854) :

লৰ্ড মেকলে আৰু উইলিয়াম বেণ্টিংকৰ শিক্ষানীতিয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাত এক বিশেষ প্ৰভাৱান্বিত কৰিব পৰা ভবা হৈছিল যদিও কেতবোৰ ভুল নীতিৰ বাবে যেনে—পশ্চিমীয়া শিক্ষা-সংস্কৃতিৰ ওপৰত অধিক গুৰুত্ব, নিম্ন পৰিস্ৰাৱণ নীতিৰ প্ৰয়োগ, মাতৃভাষাৰ প্ৰতি অৱহেলা, দেশীয় বিদ্যালয়ৰ প্ৰতি আওকান আদিয়ে জনসাধাৰণৰ মনত এক বিৰূপ মনোভাৱ সৃষ্টি কৰে। তথাপিও ইষ্ট ইণ্ডিয়া কোম্পানীৰ অনুজ্ঞা পত্ৰ নবীকৰণৰ নিয়ম অনুসৰি প্ৰতি কুৰি বছৰৰ মূৰে মূৰে বৃটিছ পাৰ্লিয়ামেণ্টৰ পৰা ভাৰতীয় শিক্ষাৰ ওপৰত পৰামৰ্শ লোৱাটো এক বাধ্যতামূলক নিয়ম আছিল। ইতিমধ্যে ১৭১৯ চন, ১৮১৩ চন আৰু ১৮৩৩ চনত পুনৰ নবীকৰণ সমাপ্ত হোৱাৰ পিছত ১৮৫৩ চনত আকৌ কোম্পানীৰ চনদ নবীকৰণ সময় আহি পৰিছিল। প্ৰত্যেকখন চনদতে ভাৰতীয় শিক্ষাৰ নীতিৰ ওফৰত প্ৰয়োজনীয় সংশোধন বা বিকাশৰ দিশ পৰ্য্যালোচনা কৰা হৈছিল। যেতিয়া ১৮৫৩



চনত পুনৰ নবীকৰণৰ সময় আহিলে, সেই সময়তেই শিক্ষাৰ ক্ষেত্ৰত কেতবোৰ সুনিৰ্দিষ্ট আৰু সুস্থিৰ (Stable) নীতি গ্ৰহণৰ প্ৰয়োজন অনুভৱ কৰা হৈছিল। ফলস্বৰূপে, হাউচ্ অৱ কমনচ্ (House of Commons) ৰ এখন নিৰ্বাচিত কমিটি গঠন কৰা হৈছিল যাতে ভাৰতবৰ্ষৰ শিক্ষাৰ উন্নয়নৰ দিশ অনুসন্ধান কৰিব পাৰে। ইয়াৰ প্ৰধান সাক্ষীসকল আছিল ট্ৰেৱেলয়ান (Travelyan), মাৰ্চমেন (Marchman), আলেকজেণ্ডাৰ ডাফ (Alexander Duff) এইচ্, এইচ উইলচন (H. H. Wilson), চাৰ ফ্ৰেডাৰিক হেলীডে (Sir Frederick Halliday) ইত্যাদি। এই সকলো জ্ঞানী লোকে চৰকাৰক অৱগত কৰে যে ভাৰতবৰ্ষত শিক্ষাৰ প্ৰসাৰ বৃদ্ধি কৰিব লাগে আৰু শিক্ষিত ভাৰতীয়সকল বৃটিছ চৰকাৰৰ ৰাজনৈতিক পৰিপন্থী নহয়। এনে এক পৰিস্থিতিয়ে ১৮৫৪ বিখ্যাত উডৰ প্ৰতিবেদন সৃষ্টিত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ প্ৰদান কৰে। চাৰ চাৰ্লচ্ উড (Sir Charles Wood) বোৰ্ড অৱ কণ্ট্ৰ'ল (Board of Control) ৰ সভাপতি আছিল। তেওঁ সংসদীয় কমিটিয়ে দিয়া প্ৰতিবেদনৰ ওপৰত ভিত্তি কৰি এখন চৰকাৰী প্ৰতিবেদন কোম্পানীৰ কৰ্তৃপক্ষলৈ প্ৰেৰণ কৰে। উল্লেখনীয় যে এই প্ৰতিবেদনখন বিশিষ্ট চিন্তাবিদ জ'ন ষ্টুৱাৰ্ট মিল (John Stuart Mill) ৰ কলমৰ পৰা নিগৰিত হোৱা বুলি ক'ব পৰা যায়। যিয়েই নহওঁক কিয় ভাৰতীয় শিক্ষা ইতিহাসত উডৰ প্ৰতিবেদন এক স্থান দখল কৰিছিল। চাৰ্লচ্ উডৰ সভাপতিত্বত এই প্ৰতিবেদন প্ৰস্তুত কৰা হয় বাবে প্ৰতিবেদনক "উডৰ প্ৰতিবেদন (Wood's Despatch) নামেৰে জনাজাত হয়। ভাৰতবৰ্ষৰ শিক্ষাত এই প্ৰতিবেদনে এক ভেঁটি স্থাপন কৰে বুলি ক'ব পাৰি। প্ৰতিবেদনখন প্ৰায় ১০০ টা দফাৰে (Paragraphs) সন্নিবিষ্ট এখন বৃহৎ দলিল। ভাৰতীয় শিক্ষাৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশৰ এক বিস্তৃত অধ্যয়ন এই প্ৰতিবেদনখনতেই লিপিবদ্ধ হৈ আছে আৰু ভাৰতীয় শিক্ষাৰ আমূল পৰিবৰ্ত্তনৰ দিশত এক দৃঢ় চৰকাৰী পদক্ষেপ।

## প্ৰতিবেদনৰ কাৰ্য পৰিসৰ (Terms of Reference) :

উডৰ প্ৰতিবেদনে মন্তব্য কৰে যে বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ৰ মাজত কোনেও শিক্ষাৰ প্ৰতি মনোযোগ দিয়া বুলি দাবী কৰিব নোৱাৰে। গতিকে কোম্পানীৰ দায়িত্বতকৈ ভাৰতীয় শিক্ষাৰ দায়িত্বৰ ওপৰত অধিক গুৰুত্ব প্ৰদান কৰা উচিত। শিক্ষা কেৱল বৌদ্ধিক দক্ষতা বৃদ্ধিৰ বাবে নহয়; বৰং ব্যক্তিৰ নৈতিক চৰিত্ৰৰ বিকাশ সাধনৰ বাবেহে উপযোগী। শিক্ষাৰ পশ্চাৎকৰণৰ জৰিয়তে কলা, সাহিত , দৰ্শন আৰু ইউৰোপৰ সাহিত্যৰ উন্নতি সাধন কৰিব পাৰি। এইদৰে উডৰ প্ৰতিবেদনে আগবঢ়োৱা কেতবোৰ নিৰ্দেশৰ চৰ্তাৱলী তলত উল্লেখ কৰা হ'ল—

১। শিক্ষাৰ জৰিয়তে ভাৰতীয় লোকসকলক দেশীয় সম্পদ সমূহৰ বিষয়ে অৱগত কৰোৱা।

২। শিক্ষাৰ জৰিয়তে ভাৰতীয় লোকসকলৰ বৌদ্ধিক যোগ্যতাৰ বিকাশ সাধন কৰা আৰু নৈতিক চৰিত্ৰৰ প্ৰশিক্ষণ দিয়া।

৩। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কাম-কাজত মকৰল কৰিব পৰাকৈ যোগ্য আৰু দক্ষতা সম্পন্ন কৰ্মচাৰী যোগান ধৰা।

৪। ইংলেণ্ডৰ বজাৰত উৎপাদিত সামগ্ৰীসমূহৰ উচিত ৰক্ষণাবেক্ষণ আৰু সামগ্ৰীৰ বৃহৎ যোগানৰ বাবে ভাৰতত এখন ভাল বজাৰ সৃষ্টি কৰা। লগতে সামগ্ৰী উৎপাদনৰ বাবে বৃটিছ শ্ৰমিকৰ সৃষ্টি কৰা।

## উডৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ (Main Recommendations of woods Despatch) :

এই প্ৰতিবেদনৰ মূল পৰামৰ্শসমূহ তলত উল্লেখ কৰা হ'ল—

**(১) শিক্ষা বিভাগ স্থাপন (Establishment of the Department of Education) :** উডৰ নিৰ্দেশনামাৰ এটা উল্লেখযোগ্য পৰামৰ্শ হ'ল সেই সময়ত থকা পাঁচখন প্ৰদেশত যেনে—বংগ, মাদ্ৰাজ, বোম্বাই, পঞ্জাব আৰু উত্তৰ-পশ্চিম প্ৰদেশত একোখনকৈ প্ৰাদেশিক শিক্ষা বিভাগ স্থাপন কৰা। যাতে শিক্ষাৰ কামসমূহ অধিক সুচাৰুৰূপে পৰিচালিত হয়। এই শিক্ষা বিভাগসমূহ পৰিচালনাৰ ভাৰ একোজন শিক্ষাধিকৰ্তাৰ (Director of public Instruction) হাতত ন্যস্ত কৰা হ'ব। শিক্ষাধিকাৰৰ কাম-কাজত সহায়ৰ বাবে কিছু সংখ্যক অৰ্হতাসম্পন্ন পৰিদৰ্শকক নিযুক্তি দিব লাগিব।

আমাৰ ভৱিষ্যত শিক্ষা ব্যৱস্থাৰ বাবে পৰিদৰ্শকৰ অতি প্ৰয়োজন আৰু যথেষ্ট সংখ্যক পৰিদৰ্শকক নিযুক্তি দিয়া উচিত যিয়ে সময়ে সময়ে মহাবিদ্যালয় আৰু বিদ্যালয় তথ্যপাতি সম্পৰ্কে অৱগত কৰিব পাৰে। (দফা ১৮)

**(২) বিশ্ববিদ্যালয় স্থাপন (Establishment of Universities) ঃ** লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত ভাৰতৰ কলিকতা, বোম্বাই আৰু মাদ্ৰাছত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা। এই বিশ্ববিদ্যালয়সমূহৰ মূল দায়িত্ব হ'ব পৰীক্ষা পাতি নিয়ন্ত্ৰণ কৰা আৰু উপযুক্ত প্ৰাৰ্থীক ডিগ্ৰী, ডিপ্লোমা প্ৰদান কৰা। বিশ্ববিদ্যালয়সমূহত একোজন আচাৰ্য্য, মনোনীত সদস্যৰে গঠিত চিনেটৰ দ্বাৰা পৰিচালিত কৰা হ'ব।

তদুপৰি এই বিশ্ববিদ্যালয়সমূহ লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন কৰিব লাগিব। বিশ্ববিদ্যালত একোজনকৈ আচাৰ্য্য উপাচাৰ্য্য আৰু মনোনীত সদস্যৰে গঠিত এখন চিনেট থাকিব। চিনেটে বিশ্ববিদ্যালয়ৰ পুঁজিৰ ব্যৱস্থা কৰিব আৰু যাৱতীয় নীতি-নিৰ্দেশনা প্ৰস্তুত কৰিব। পৰীক্ষক নিযুক্তিৰ চিনেটে বিশ্ববিদ্যালয়ৰ কলা আৰু বিজ্ঞানৰ পৰীক্ষাসমূহ নিয়ন্ত্ৰণ কৰিব। (দফা ২৫, ২৬, ২৭)

**(৩) বিভিন্ন পৰ্যায়ৰ শিক্ষানুষ্ঠান স্থাপন (Gradation of Different Institutions) ঃ** উডৰ ঘোষণা পত্ৰই শিক্ষাৰ বিভিন্ন স্তৰৰ বিদ্যালয় স্থাপনৰ পৰামৰ্শ দিয়ে। ইয়াৰ প্ৰথম পৰ্যায়ত বিশ্ববিদ্যালয় আৰু ইয়াৰ স্বীকৃতিপ্ৰাপ্ত মহাবিদ্যালয় থাকিব। দ্বিতীয় পৰ্য্যায়ত ইংৰাজী আৰু আধুনিক ভাৰতীয় ভাষাৰ উচ্চ মাধ্যমিক বিদ্যালয়সমূহ তৃতীয় পৰ্যায়ত দেশীয় আৰু চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহ। এনে



ব্যৱস্থাৰ দ্বাৰাই সকলোৱে যাতে শিক্ষাৰ বিভিন্ন স্কুলীয়া স্তৰ অতিক্ৰম কৰি উচ্চ শিক্ষা লাভ কৰিব পাৰে আৰু বাবে কৰা হৈছিল।

**(৪) গণশিক্ষাৰ প্ৰসাৰ (Development of Mass education) ঃ** উডৰ প্ৰতিবেদনে মন্তব্য কৰে যে ভাৰতবৰ্ষৰ সাধাৰণ জনগণ শিক্ষালাভৰ পৰা বঞ্চিত হৈ আছে। এনেকুৱা এখন বিশাল দেশত শিক্ষাৰ নিম্নমুখী পৰিস্ৰাৱন নীতি গ্ৰহণযোগ্য হ'ব নোৱাৰে। মাতৃভাষা আৰু ইংৰাজী ভাষা মাধ্যম হিচাপে ব্যৱহাৰ কৰা বিদ্যালয় সমূহৰ মাজত পাৰ্থক্য থাকিব নালাগিব। গতিকে, উডৰ ঘোষণা পত্ৰই মেকলেৰ নিম্ন পৰিস্ৰাৱণ নীতি অগ্ৰাহ্য কৰি কয় যে শিক্ষা সকলো শ্ৰেণীৰ জনসাধাৰণৰ মাজত প্ৰতিক্ষেত্ৰতে খাপ খোৱাকৈ এক উপযোগী আৰু কাৰ্যকৰী জ্ঞান বিস্তাৰৰ বাবেহে নিয়োজিত হ'ব লাগে। শিক্ষাসকলোৱে সহজলভ্য হ'ব লাগিব।

চৰকাৰে জনসাধাৰণ শিক্ষাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰা উচিত। ইয়াৰ বাবে উচ্চ বিদ্যালয়, মধ্য বিদ্যালয় আৰু দেশীয় প্ৰাথমিক বিদ্যালয় স্থাপনৰ সংখ্যা বৃদ্ধি কৰিব লাগে। গতিকে খৰচৰ পৰিমাণৰ বাবে আৰ্থিক সাহাৰ্য্য প্ৰদান কৰিবলৈ চৰকাৰ সাজু থাকিব। (দফা ৪১)

**(৫) সহায়ক অনুদান (Grant-in-aid) ঃ** অকল চৰকাৰৰ পক্ষে শিক্ষাৰ সমস্ত দায়িত্ব বহন কৰাটো সম্ভৱ নহয় বাবে সহায়ক অনুদানৰ যোগেদি শিক্ষা বিস্তাৰৰ প্ৰস্তাৱ কৰা হয়। সেই অনুসৰি নিৰ্দেশনামাই কেইটামান চৰ্ত আৰোপ কৰি সহায়ক অনুদানৰ ক্ষেত্ৰত নীতি নিৰ্দেশনা নিৰ্দ্ধাৰণৰ বাবে প্ৰাদেশিক চৰকাৰসমূহক কৰ্তৃত্ব প্ৰদান কৰে।

উডৰ প্ৰতিবেদনে ভাৰতীয় শিক্ষাৰ বিদ্যালয়সমূহৰ শৈক্ষিক মানদণ্ড উন্নত কৰাৰ বাবে সহায়ক -অনুদান প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। চৰকাৰে শিক্ষাৰ দ্ৰুত উন্নতিৰ বাবে আৰু দেশৰ বিকাশৰ বাবে আৰু দেশৰ বিকাশৰ বাবে স্থানীয় উৎসৰ সমৰ্থনত সহায়ক অনুদান আগবঢ়াব লাগে। (দফা ৫১, ৫২) ৰাজ্যিক (Provincial) চৰকাৰসমূহে ইংলেণ্ডৰ আৰ্হিত সহায়ক-অনুদান পদ্ধতি অনুসৰণ কৰিব লাগিব।

সহায়ক অনুদান প্ৰদান কৰাৰ ক্ষেত্ৰত থকা চৰ্তবোৰ এনেধৰণৰ আছিল —

(ক) শিক্ষানুষ্ঠানসমূহত ধৰ্ম নিৰপেক্ষ শিক্ষাদান কৰিব লাগিব।

(খ) শিক্ষানুষ্ঠানসমূহ সুস্থ। পৰিচালনাৰ ব্যৱস্থা থাকিব লাগিব।

(গ) চৰকাৰী পৰিদৰ্শনৰ দ্বাৰা বিদ্যালয়সমূহ পৰিদৰ্শন কৰিবলৈ দিব লাগিব।

(ঘ) কম পৰিমাণৰ হ'লেও ছাত্ৰ-ছাত্ৰীৰ পৰা মাচুল সংগ্ৰহ কৰিব লাগিব।

**(৬) শিক্ষক প্ৰশিক্ষণ (Teacher Training) ঃ** উডৰ নিৰ্দেশনামাই দেশত শিক্ষাৰ মান উন্নত কৰাৰ বাবে শিক্ষক প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু তাৰ বাবে শিক্ষণ প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপনৰ ওপৰত গুৰুত্ব দিয়ে। প্ৰত্যেকখন প্ৰদেশতে একোখনকৈ শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয় থকা

উচিত। তদুপৰি শিক্ষকসকলৰ দৰমহা আকৰ্ষণীয় হ'ব লাগে। শিক্ষকৰ প্ৰশিক্ষণ কালত চৰকাৰী বৃত্তি ব্যৱস্থা থাকিব। নিদেৰ্শনামাই সেই সময়ত প্ৰচলন হোৱা ছাত্ৰ-শিক্ষক প্ৰথাৰ ব্যৱহাৰ ওপৰত যুক্তি দি কয় যে চোকা বুদ্ধিৰ ওপৰশ্ৰেণীৰ লোকে বিদ্যালয় ছুটিৰ পিছত তলৰ শ্ৰেণীৰ ছাত্ৰক পঢ়াবলৈ নিয়োগ কৰিব লাগিব। এই পদ্ধতি ভাৰতৰ সকলো চৰকাৰী উচ্চ বিদ্যালয়, মহাবিদ্যালয় আৰু অনুদান পোৱা বিদ্যালয়ত প্ৰয়োগ ব্যৱস্থা কৰিব লাগিব।

**(৭) শিক্ষাৰ মাধ্যম (Medium of Instruction) ঃ** উডৰ প্ৰতিবেদনত কোৱা হয় যে ভাৰতীয় ভাষাৰ পাঠ্যপুথিৰ অভাৱৰ বাবে ইংৰাজী ভাষাই শিক্ষাৰ মাধ্যম হোৱা উচিত। যিসকল লোকৰ ইংৰাজী ভাষাৰ প্ৰতি আগ্ৰহ আৰু জ্ঞান আছে, তেওঁলোকেহে ইউৰোপীয় জ্ঞান বিকাশ সাধন কৰিব পাৰিব। কিন্তু ইংৰাজী ভাষা নজনা অধিক সংখ্যক ভাৰতীয় লোকও আছে আৰু তেওঁলোকৰ বাবে দেশীয় ভাষা প্ৰয়োগৰ প্ৰয়োজন আছে। এনে পৰিপ্ৰেক্ষিতত ইংৰাজী আৰু দেশী দুয়োটা ভাষাকে শিক্ষাৰ মাধ্যম হিচাপে গণ্য কাৰ উচিত যাতে ইউৰোপীয় জ্ঞান-অভিজ্ঞতা বিকাশ হয়।

**(৮) দেশীয় শিক্ষা (Indigenous Education) ঃ** উডৰ নিৰ্দেশনামাই প্ৰাথমিক শিক্ষাৰ বিস্তাৰৰ বাবে দেশীয় শিক্ষাক উৎসাহিত কৰাৰ কথা উল্লেখ কৰিছে আৰু ইয়াৰ বাবে অধিক বিদ্যালয় স্থাপন কৰি উপযুক্ত ব্যৱস্থা গ্ৰহণৰ পৰামৰ্শ দিছে। দেশীয় প্ৰাথমিক বিদ্যালয়সমূহক উৎসাহিত কৰি দেশীয় ভাষাৰ দ্বাৰা বিদ্যালয়ৰ পাঠদান কৰাৰ বাবে ঘোষণা পত্ৰই পৰামৰ্শ আগবঢ়ায়। প্ৰতিবেদনে মন্তব্য কৰে— "আমি গভীৰভাৱে বিশ্বাস কৰোঁ যে এনে নতুন জীৱন আৰু শক্তিদান কৰিব আৰু সকলো শ্ৰেণীৰ লোকৰ মাজলৈ ইয়াৰ উপকাৰিতা বহন কৰি নিব।"

**(৯) স্ত্ৰী শিক্ষা (Women Education) ঃ** স্ত্ৰী শিক্ষাৰ বিস্তাৰক উৎসাহিত কৰাৰ বাবে ব্যৱস্থা গ্ৰহণৰ আৱশ্যকতাৰ কথা এই নিৰ্দেশনামাত উল্লেখ কৰা হৈছে। প্ৰয়োজন সাপেক্ষে ছোৱালী বিদ্যালয় স্থাপন কৰিব লাগে বুলি পৰামৰ্শ আগবঢ়াইছে। স্ত্ৰীশিক্ষাৰ বাবে বিশেষ চৰকাৰী সহায়ক অনুদান আগবঢ়াব লাগে। যিসকলে স্ত্ৰীশিক্ষাৰ বিকাশৰ বাবে ভূমিকা গ্ৰহণ কৰিছে, তেওঁলোকক উৎসাহ যোগোৱা উচিত।

**(১০) মুছলমান সকলৰ শিক্ষা (Muslim Education) ঃ** ভাৰতৰ মুছলমান সকলৰ শিক্ষাৰ বিকাশৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণত গুৰুত্ব আৰোপ কৰা হয়। মুছলমান লোকসকলৰ পৰা অনগ্ৰসৰতা দূৰ কৰিবলৈ চৰকাৰী প্ৰচেষ্টা হাতত লোৱা উচিত।

**(১১) চৰকাৰী বিষয়াৰ দায়িত্ব (Duties of Govt. Officers) ঃ** যিসমূহ চৰকাৰী বিষয়াই ভাৰতবৰ্ষত কাম কৰি আছে তেওঁলোকে ভাৰতৰ মানুহৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ হকে কাম কৰা উচিত।

**(১২) চৰকাৰী বিদ্যালয় স্থাপন (Establishment of Govt. Schools) ঃ** শিক্ষাৰ দ্ৰুত বিকাশৰ বাবে যথেষ্ট সংখ্যক চৰকাৰী বিদ্যালয় আৰু মহাবিদ্যালয় স্থাপন কৰিব লাগে।



**(১৩) বৃত্তিমূলক শিক্ষা(Vocational Education) ঃ** দেশৰ মানুহৰ বৃত্তিমূলক শিক্ষাৰ বিকাশত এই নিৰ্দেশনামাই গুৰুত্ব আৰোপ কৰিছে আৰু তাৰ বাবে এনে শিক্ষাৰ অনুষ্ঠান স্থাপনৰ হকে মতামত আগবঢ়াইছে। কেৱল সাহিত্য আৰু দৰ্শনৰ মাজতে সীমাবদ্ধ নাথাকি আইন, চিকিৎসা, শিল্প কেন্দ্ৰ আদিৰ ব্যৱস্থা কৰিব লাগিব। বিভিন্ন স্থানত বৃত্তিমূলক শিক্ষানুষ্ঠান স্থাপন কৰিব লাগে বুলি প্ৰতিবেদনে মন্তব্য আগবঢ়ায়।

**(১৪) শিক্ষা আৰু চাকৰি (Education and Employment) ঃ** সাধাৰণক শিক্ষাৰ প্ৰতি আগ্ৰহ বঢ়াবৰ বাবে উডৰ নিৰ্দেশনামাই চৰকাৰী চকৰিত শিক্ষিত লোকক নিয়োগৰ বাবে পৰামৰ্শ দিছিল। সু-শিক্ষিত আৰু অন্যান্য গুণাৱলী লোকে চৰকাৰী চাকৰিত অগ্ৰাধিকাৰ লাভ কৰিলে জনসাধাৰণ শিক্ষাৰ প্ৰতি আগবাঢ়ি আহিব আৰু বহুতো বাস্তৱিক উপকাৰিতা লাভ কৰিব। তদুপৰি শিক্ষিত লোকৰ নিযুক্তিয়ে চৰকাৰৰ প্ৰশাসনীয় দক্ষতা আৰু কাম-কাজত নিপুণতা বাঢ়িব। গতিকে চৰকাৰী কাৰ্যালয়ত শিক্ষিত লোকক নিযুক্তি দিব লাগে।

**(১৫) ভাৰতীয় ভাষাৰ বিকাশ (Development of Indian Language) ঃ** কেৱল ইংৰাজী ভাষাৰেই নহয়, ভাৰতীয় ভাষাসমূহৰ বিকাশৰ বাবেও এই নিৰ্দেশনামাই পৰামৰ্শ আগবঢ়াইছে। ইয়াৰ বাবে ভাৰতীয় ভাষাত মৌলিক গ্ৰন্থ ৰচনা কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। উডৰ প্ৰতিবেদনে দেশীয় ভাষা আৰু ইংৰাজী ভাষা উভয়কে জ্ঞান বিজ্ঞানৰ প্ৰসাৰৰ অৰ্থে ব্যৱহাৰ কৰিবলৈ পৰামৰ্শ প্ৰদান কৰে। প্ৰতিবেদনে সংস্কৃত, আৰবী আৰু পাৰ্চীভাষা বিদ্যালয়সমূহত প্ৰয়োগ কৰাৰ বাবে পৰামৰ্শ দিয়ে।

**(১৬) বিভিন্ন স্তৰৰ বিদ্যালয়ৰ মাজত যোগসূত্ৰ স্থাপন (Network of Schools) ঃ** বিভিন্ন স্তৰৰ শিক্ষানুষ্ঠানসমূহ যেনে— বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়, মাধ্যমিক বিদ্যালয় আৰু প্ৰাথমিক বিদ্যালয়ৰ মাজত উপযুক্ত সম্বন্ধ স্থাপন কৰাৰ ওপৰতো এই নিৰ্দেশনামাই গুৰুত্ব আৰোপ কৰিছে।

**(১৭) প্ৰাচ্য আৰু পাশ্চাত্যৰ বিবাদ (Anglicist and Classicist Controversy) ঃ** উডৰ প্ৰতিবেদনত প্ৰাচ্য মতামতসমূহ সহানুভূতিৰে বিবেচনা কৰি ভাৰতীয় ভাষা-সংস্কৃতিৰ সন্মান প্ৰদৰ্শন কৰা হয়। হিন্দু আৰু মুছলমানসকলৰ আইনসমূহ অধ্যয়নৰ সুবিধাৰ্থে দেশীয় ভাষা অধ্যয়নৰ ওপৰত গুৰুত্ব দিয়া হয়। প্ৰতিবেদনত উল্লেখ কৰে যে ভাৰতীয়সকলৰ মন জয় কৰিব নোৱাৰিলে দেশত ইংৰাজী ভাষা-সাহিত্যৰ জ্ঞান বিস্তাৰিত নহয়। গতিকে ভাৰতীয়সকলৰ ভাৱ-আদৰ্শক গুৰুত্ব আৰোপ কৰি প্ৰতিবেদনে ইউৰোপীয় কলা-সাহিত্য, দৰ্শন, বিজ্ঞান আদিৰ বিকাশ হ'ব লাগে বুলি মন্তব্য কৰে।

**উডৰ নিৰ্দেশাৱলীৰ সমালোচনা (Criticism of Wood's Despatch) ঃ** উডৰ নিৰ্দেশাৱলীক ভাৰতৰ শিক্ষাৰ ইতিহাসত এক বিশেষ মৰ্যাদা প্ৰদান কৰা হয়। কাৰণ এইখনেই হৈছে ভাৰতীয় শিক্ষা সম্বন্ধে ইংলেণ্ড প্ৰশাসনৰ প্ৰথম চৰকাৰী ঘোষণা পত্ৰ, যিয়ে ভাৰতৰ আধুনিক শিক্ষাৰ ভেটি নিৰ্মাণত এক উল্লেখযোগ্য পদক্ষেপ স্বৰূপে বিবেচিত হৈ আহিছে।

উডৰ নিৰ্দেশমতে ১৮৫৬ চনত প্ৰত্যেক প্ৰদেশতে একোটাকৈ শিক্ষা বিভাগ (Education Department) স্থাপন কৰা হৈছিল। ১৮৯৬ চনত শিক্ষা বিষয়া নিৰ্বাচন আৰু নিয়োগ কৰিবলৈ "ভাৰতীয় শিক্ষা সেৱা" (India Educational Service) অনুষ্ঠিত কৰা হৈছিল। ১৮৫৭ চনত বম্বে, কলিকতা আৰু মাদ্ৰাজত একোখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। ১৮৮২ চনত পঞ্জাব বিশ্ববিদ্যালয় স্থাপন কৰি স্নাতকোত্তৰ আৰু ডক্টৰেট ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰা হৈছিল। ১৮৮৭ চনত এলাহাবাদ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। উডৰ নিৰ্দেশনামা মতে স্কুল-কলেজত সহায়ক অনুদান দিয়াৰ নিয়ম প্ৰৱৰ্তন কৰা হৈছিল যাৰ ফলত বহুতো ব্যক্তি আৰু ব্যক্তিগত অনুষ্ঠানে স্থাপন কৰা স্কুলে অনুদান লাভ কৰিছিল। আনহাতে, প্ৰাথমিক আৰু জনশিক্ষাৰ প্ৰয়োজনীয়তা, শিক্ষক প্ৰশিক্ষণ, বৃত্তিমূলক শিক্ষা, স্ত্ৰী-শিক্ষা আদিৰ দৰে গুৰুত্বপূৰ্ণ দিশৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিভিন্ন পৰ্যায়ৰ বিদ্যালয় স্থাপনৰ পৰামৰ্শৰ জৰিয়তে উড ডেচপাচে নিম্ন পৰিস্ৰাৱন নীতিৰ ওৰ পেলাই এক জাতীয় শিক্ষা বৱস্থাৰ বুনিয়াদ ৰচনা কৰিবলৈ চেষ্টা কৰিছিল।

## উডৰ প্ৰতিবেদনৰ গুণ (Merits of Wood's Despatch):

উডৰ প্ৰতিবেদনত পৰিলক্ষিত হোৱা দিশসমূহ তলত উল্লেখ কৰা হ'ল —

১। উডৰ প্ৰতিবেদনৰ ফলস্বৰূপে বৃটিছ সংসদে পোন প্ৰথমবাৰৰ বাবে ভাৰতবৰ্ষত শৈক্ষিক নীতি নিৰ্ধাৰণত এক আইনগত ব্যৱস্থা গ্ৰহণ কৰে। ইষ্ট-ইণ্ডিয়া কোম্পানীয়ে এনে সিদ্ধান্ত ল'ব নোৱাৰাৰ বাবে এই প্ৰতিবেদনে, পৰামৰ্শ প্ৰদান কৰে যে বৃটিছ চৰকাৰে ভাৰতবৰ্ষত শিক্ষাৰ প্ৰসাৰৰ বাবে দায়িত্ব গ্ৰহণ কৰিব।

২। এই প্ৰতিবেদনে লৰ্ড মেক্‌লেই গ্ৰহণ কৰা "নিম্ন পৰিস্ৰাৱন নীতি" পৰিহাৰ কৰি সকলো জনগণৰ শিক্ষাৰ বাবে সক্ৰিয় পদক্ষেপ গ্ৰহণ কৰাৰ বাবে যুক্তি প্ৰদান কৰিছিল।

৩। প্ৰতিবেদনে প্ৰথমবাৰৰ বাবে প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয়লৈ শিক্ষাৰ পৰিকল্পনা কৰিছিল আৰু লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত ব্যৱহাৰিক পৰামৰ্শ দিছিল যাতে সুকলমে প্ৰশাসনীয় আৰু শৈক্ষিক কাৰ্য সম্পাদন কৰা হয়।

৪। উড'ৰ প্ৰতিবেদনে শিক্ষাৰ প্ৰশাসনীয় দিশ সূক্ষ্মভাৱে বিচাৰ কৰাৰ উদ্দেশ্যে বংগ, মাদ্ৰাজ, বম্বে, উত্তৰ পশ্চিম প্ৰদেশ আৰু পাঞ্জাবত একোটিকৈ শিক্ষা বিভাগ স্থাপনৰ হকে প্ৰদান কৰা পৰামৰ্শ এক উল্লেখযোগ্য দিশ।

৫। উড'ৰ প্ৰতিবেদনৰ আন এক উল্লেখযোগ্য সাফল্য হৈছে শিক্ষা বিভাগ সমূহত একোজন শিক্ষাধিকৰ্ত্তাৰ নিয়োগ, পৰিদৰ্শক, উপ-পৰিদৰ্শক আৰু উপ-সঞ্চালকৰ নিযুক্তি প্ৰদান। এই পৰিদৰ্শকসকলে শিক্ষাৰ উন্নতিৰ বাবে আৰু শৈক্ষিক প্ৰতিষ্ঠানৰ মানদণ্ড ৰক্ষাত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছিল।



৬। উড'ৰ প্ৰতিবেদনত উল্লেখ কৰা সহায়ক অনুদান ব্যৱস্থাই লগুত অতি সুন্দৰভাৱে কাৰ্য সম্পাদন কৰিছিল আৰু সেয়ে ভাৰতীয় শিক্ষা ব্যৱস্থাতো ইয়াৰ প্ৰয়োগ কৰা হৈছিল। ইয়াৰ ফলস্বৰূপে ব্যক্তিগত খণ্ডৰ অনুষ্ঠানসমূহো উৎসাহিত হৈছিল আৰু বিদ্যালয়সমূহে ভালদৰে পৰিচালিত হৈছিল।

৭। এই প্ৰতিবেদনৰ ফলস্বৰূপে ভাৰতবৰ্ষত তিনিখনকৈ বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। ভাৰতৰ ব্যৱসায় বাণিজ্য তিনিখন প্ৰধান চহৰ ক্ৰমে কলিকতা, মাদ্ৰাজ আৰু বোম্বেত একোখনকৈ বিশ্ববিদ্যালয় স্থাপনৰ জৰিয়তে শিক্ষা ক্ষেত্ৰত এক নতুন যুগান্তকাৰী দিশৰ সৃষ্টি হয়।

৮। এই প্ৰতিবেদনত বৃত্তীয় শিক্ষাৰ ওপৰত অগ্ৰাধিকাৰ প্ৰদান কৰা হৈছিল যাতে দেশৰ নিবনুৱা সমস্যা কিছু পৰিমাণে সমাধান কৰিব পৰা যায়। কাৰিকৰী অনুষ্ঠানৰ হকেও প্ৰতিবেদনে পৰামৰ্শ আগবঢ়াইছিল।

৯। আন এটা উল্লেখনীয় পৰামৰ্শ যেনে — স্ত্ৰী-শিক্ষাৰ বিকাশৰ বাবে বিশেষ আঁচনি গ্ৰহণ, সহায়ক অনুদান প্ৰদান আদিক স্ত্ৰীশিক্ষাৰ বিকাশত প্ৰভূত অৰিহণা যোগাইছিল।

১০। শিক্ষকৰ প্ৰশিক্ষণ, শিক্ষাত ধৰ্ম নিৰপেক্ষতাৰ নীতি গ্ৰহণ, মুছলমান শ্ৰেণীৰ বাবে শিক্ষা, ভাৰতীয় ভাষা-সাহিত্যৰ ওপৰত গুৰুত্ব আৰোপ আদি পৰামৰ্শই ভাৰতীয় শিক্ষা বিকাশত বিশেষভাৱে সহায় কৰিছিল।

উডৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ ভালদৰে বিশ্লেষণ কৰি মন্তব্য কৰিব পাৰি যে ভাৰতীয় শিক্ষা ইতিহাসত এক উল্লেখনীয় মহাচনদ। জেমচে (James) কৈছিল। ভাৰতবৰ্ষত ইংৰাজী শিক্ষাৰ এখন মহাচনদ "আখ্যা দিব পাৰি (the Magna Carta of English Education in India)। প্ৰাথমিক শিক্ষাৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় তথা বিভিন্ন শিক্ষাৰ দিশত যেনে — স্ত্ৰী-শিক্ষা, বৃত্তীয় শিক্ষা, দেশীয় শিক্ষা, কাৰিকৰী শিক্ষা, সৰ্বসাধাৰণভাৱে শিক্ষা আদি বিভিন্ন পৰামৰ্শই আধুনিক ভাৰতৰ শিক্ষাৰ ভেটি নিৰ্মাণ কৰিছিল।

## উডৰ প্ৰতিবেদনৰ দোষসমূহ (Demerits of Wood's Despatch):

উডৰ প্ৰতিবেদনক আধুনিক ভাৰতীয় শিক্ষাৰ এখন দলিল বুলি বিবেচনা কৰা হ'লেও, প্ৰতিবেদনখন দোষৰ পৰা মুক্ত নহয়। তলত কেতবোৰ দোষ উল্লেখ কৰা হ'ল —

১। বাস্তৱত জনগণৰ সাৰ্বজনীন ধাৰণাটো ভালদৰে প্ৰয়োগ কৰা হোৱা নাছিল। চৰকাৰে জনসাধাৰণৰ শিক্ষাৰ বাবে প্ৰয়োজনীয় উৎসাহ প্ৰদান কৰা নাছিল।

১। আৰ্থিক দুৰৱস্থা আৰু পুঁজিৰ অভাৱ ভালদৰে প্ৰয়োগ কৰা হোৱা নাছিল। চৰকাৰে জনসাধাৰণৰ শিক্ষাৰ বাবে প্ৰয়োজনীয় উৎসাহ প্ৰদান কৰা নাছিল।

২। আৰ্থিক দুৰৱস্থা আৰু পুঁজিৰ অভাৱ বাবে সহায়ক অনুদান ব্যৱস্থাই বিশেষ সাফল্য লাভ কৰি নোৱাৰিলে।

৩। উডৰ প্ৰতিবেদনে মূলতঃ পশ্চিমীয়া জ্ঞান আৰু সংস্কৃতি বিকাশৰ বাবেহে অধিক প্ৰাধান্য দিয় পৰিলক্ষিত হৈছিল।

৪। লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত স্থাপন হোৱা বিশ্ববিদ্যালয়সমূহে উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত ভূমিকা পালনত ব্যৰ্থ হৈছিল আৰু বিশ্ববিদ্যালয়সমূহ ভাৰতীয় অৱস্থাৰ পৰিপন্থী আছিল। কেৱল বিদেশী কলা, সংস্কৃতি, বিজ্ঞান আদি ৰপ্তানি কৰিলে।

৫। নাৰী শিক্ষাৰ ওপৰত প্ৰতিবেদনে গুৰুত্ব দিছিল যদিও বিকাশ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল।

৬। প্ৰায় এটা শতিকা জুৰি ইংৰাজী শিক্ষাই উচ্চ শিক্ষাৰ জগতত একছত্ৰী হৈ আছিল যাৰ ফলস্বৰূপে বিদ্যালয়সমূহত মাতৃভাষাক শিক্ষাৰ মাধ্যম হিচাপে প্ৰয়োগ হোৱা নাছিল।

৭। এই প্ৰতিবেদনৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ শৈক্ষিত প্ৰশাসন ব্যৱস্থা আমোলাতান্ত্ৰিক প্ৰকৃতিৰ হৈ গঢ়ি উঠিছিল। শিক্ষা ব্যৱস্থাও কেন্দ্ৰীকৰণ (Centralised) কৰা হৈছিল আৰু চৰকাৰৰ নীতি নিয়ম ৰঙা ফিটাৰ মেৰাকত সোমাই পৰে।

৮। উডৰ প্ৰতিবেদনৰ আওপকীয়াকৈ পশ্চিমীয়া জ্ঞান বিস্তাৰৰ বাবে অধিক গুৰুত্ব দিয়া হৈছিল। ফলত ভাৰতীয় সাহিত্য-কলাই বিকাশত বিশেষ সাফল্য লাভ কৰিব নোৱাৰিলে। দেশীয় ভাষাত অনুবাদ কৰা পুথিসমূহৰ সৰহভাগেই পশ্চিমীয়া ইংৰাজী পুথি আছিল। গতিকে দেশীয় ভাষাসমূহো অৱহেলিত হৈ আছিল।

৯। প্ৰতিবেদনত উল্লেখ কৰা হয় যে চৰকাৰী চাকৰিৰ সুবিধা প্ৰদান কৰা হ'ব। কিন্তু বাস্তৱ ক্ষেত্ৰত দেখা গৈছিল যিসকল লোক পশ্চিমীয়া জ্ঞানেৰে শিক্ষিত আৰু উচ্চ শিক্ষিত, তেনেকুৱা ব্যক্তিকহে নিয়োগ কৰা হৈছিল। সাধাৰণ লোক তথা ইংৰাজী ভাষা নজনাসকল এনে সুবিধাৰ পৰা বঞ্চিত হৈছিল।

১০। উডৰ প্ৰতিবেদনে ইংৰাজী ভাষা সাহিত্যৰ প্ৰসাৰ আৰু প্ৰচলনৰ জৰিয়তে ভাৰতীয় লোকসকলৰ মনত পশ্চিমীয়া ভাষা-সংস্কৃতিৰ প্ৰতি আকৰ্ষিত কৰাৰ চেষ্টা কৰিছিল।

১০। উডৰ প্ৰতিবেদনৰ জৰিয়তে সংস্কৃত, আৰবী আৰু পাৰ্চী ভাষাৰ প্ৰসাৰৰ বাবে চেষ্টা কৰা হৈছিল যদিও কাৰ্যত শিক্ষাৰ মূল উদ্দেশ্য আছিল পশ্চিমীয়া জ্ঞান, বিজ্ঞান আৰু সাহিত্যৰ বিকাশ সাধন কৰা। ফলত ভাৰতীয় ভাষা বিকাশ গুৰুত্বহীন হৈ পৰে।



এনেদৰে যদিও উডৰ প্ৰতিবেদনত বিভিন্ন দোষ পৰিলক্ষিত হয়, তথাপিও ভাৰতীয় শিক্ষা ইতিহাসত প্ৰতিবেদনখনে এক নতুন যুগৰ সূচনা কৰে। উডৰ প্ৰতিবেনে শিক্ষাৰ প্ৰাথমিক স্তৰৰ পৰা বিশ্ববিদ্যালয় স্তৰলৈকে বিভিন্ন দিশত পৰামৰ্শ আগবঢ়াইছিল। এইখন আছিল বৃটিছ চৰকাৰে ভাৰতবৰ্ষত অনুসৰণ কৰিবলগীয়া শিক্ষানীতি সম্পৰ্কে প্ৰথমখন নিৰ্ভৰযোগ্য প্ৰতিবেদনে।

"It was the first authoritative declaration of the British Government about the educational policy to be followed in India." প্ৰতিবেদনৰ পৰামৰ্শসমূহৰ অধিকাংশই সফলভাৱে ৰূপায়ন কৰা হৈছিল। অৱশ্যে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ বাবে অন্যান্য কেতবোৰ পৰামৰ্শ বাস্তৱ প্ৰয়োগ কৰিব পৰা নগ'ল।

## ভাৰতীয় শিক্ষা আয়োগ ১৮৮২ চন (Indian Education Commission-1882)

১৮৫৪ চনৰ উডৰ ঘোষণাপত্ৰই ভাৰতীয় শিক্ষাৰ ক্ষেত্ৰত এক নতুন আৰু সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনিলে। উডৰ শিক্ষানীতিৰ ফলস্বৰূপে ভাৰতবৰ্ষত প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বাবে যথেষ্টসংখ্যক শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হ'ল। তথাপিও প্ৰাথমিক শিক্ষাৰ বিশেষ পৰিৱৰ্তন দেখা নগ'ল। কাৰণ চৰকাৰে মাধ্যমিক আৰু উচ্চ শিক্ষাৰ ওপৰতহে অধিক অগ্ৰাধিকাৰ দিবলৈ আৰম্ভ কৰিছিল। কিন্তু চৰকাৰৰ নীতিৰ ক্ষেত্ৰত ভাৰতীয় লোক আৰু খ্ৰীষ্টান মিছনেৰীসকল সম্পূৰ্ণ সন্তুষ্ট হ'ব পৰা নাছিল। উডৰ ঘোষণাপত্ৰত দেশীয় শিক্ষাব্যৱস্থা আৰু ভাষা-সংস্কৃতিৰ ওপৰত গুৰুত্ব দিয়া হোৱা নাছিল। স্বাভাৱিকতে ভাৰতীয়সকল ক্ষুন্ন হোৱা দেখা গৈছিল। তদুপৰি খ্ৰীষ্টান মিছনেৰীসকলক তেওঁলোকে বিচৰা ধৰণে স্কুল স্থাপন কৰিবলৈ নিদিয়াত তেওঁলোকৰ মনত ক্ষোভৰ উদগীৰণ হৈছিল যাৰ ফলত তেওঁলোকে তদন্ত কমিটি এখন গঠন কৰিবলৈ পৰামৰ্শ দিছিল। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ ফলস্বৰূপে ভাৰতৰ শাসনভাৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ হাতৰপৰা বৃটিছ শাসকৰ হাতলৈ যায়। ইংৰাজ চৰকাৰে লৰ্ড ৰিপনক ভাৰতবৰ্ষৰ গভৰ্ণৰ জেনেৰেল হিচাপে নিযুক্তি দিয়াত ১৮৮০ চনৰ ১৮ জুলাই' লৰ্ড ৰিপন ভাৰতলৈ আহে। ভাৰতলৈ অহাৰ পিছত তেওঁ ভাৰতীয় শিক্ষাব্যৱস্থাৰ অনুসন্ধান কৰিবলৈ ১৮৮২ চনৰ ৩ ফেব্ৰুৱাৰীত চাৰ উইলিয়াম হাণ্টাৰৰ অধীনত এখন শিক্ষা আয়োগ গঠন কৰি দিয়ে। ইয়াক হাণ্টাৰ আয়োগ বুলিও জনা যায়। হাণ্টাৰৰ সভাপতিত্বত ২০ জনীয়া কমিটিখনৰ প্ৰধান উদ্দেশ্য আছিল ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ওপৰত অনুসন্ধান কৰা। ইয়াৰ ভিতৰত চৈয়দ মামুদ, ভূদেৱ মুখাৰ্জী, আনন্দ মোহন বসু আৰু কে. টি. টেলুঙ ভাৰতীয় প্ৰতিনিধি আছিল। ড. মিলাৰ মিছনেৰীসকলৰ প্ৰতিনিধি আছিল। বি. এল. ৰাইচ (মহীশূৰৰ শিক্ষাধিকৰ্তা) আয়োগৰ সম্পাদক আছিল। এইখনেই ভাৰতবৰ্ষৰ প্ৰথম শিক্ষা আয়োগ আছিল।

## নিৰ্দেশৰ চৰ্তাৱলী (Terms of Reference) :

ভাৰতীয় শিক্ষা আয়োগ গঠনৰ সময়তে ইংলেণ্ডত 'প্ৰাথমিক শিক্ষা আইন' (The Elementary Education Act) প্ৰণয়ন হৈছিল যাতে সৰ্বসাধাৰণৰ মাজত প্ৰাথমিক শিক্ষা বিস্তাৰ কৰিব পাৰি। গতিকে আয়োগে ভাৰতবৰ্ষতো প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাৰ ওপৰত অনুসন্ধান কৰিবলৈ নিৰ্দেশ দিয়ে। ইয়াৰ বাহিৰে বিশ্ববিদ্যালয় শিক্ষা, বৃত্তিমুখী আৰু ইউৰোপীয়ান শিক্ষাব্যৱস্থাৰ ওপৰত বিশেষ অনুসন্ধান কৰাৰ উদ্দেশ্য নাছিল। শিক্ষা আয়োগৰ মূল লক্ষ্যসমূহ আছিল এনেধৰণৰ ঃ

(১) প্ৰাথমিক শিক্ষাব্যৱস্থাৰ অৱস্থা আৰু ইয়াৰ প্ৰসাৰ আৰু বিস্তৃতিৰ ওপৰত অনুসন্ধান কৰা,

(২) ৰাজ্যিক শিক্ষানুষ্ঠানৰ অৱস্থান আৰু ইয়াৰ গুৰুত্বৰ ওপৰত অনুসন্ধান কৰা,

(৩) সাধাৰণ আচনিৰ অধীনত থকা ভাৰতীয় শিক্ষা প্ৰদানকাৰী মিছনেৰীসকলৰ শিক্ষানুষ্ঠানৰ ওপৰত অনুসন্ধান কৰা

(৪) ব্যক্তিগত শিক্ষানুষ্ঠানৰ প্ৰতি থকা চৰকাৰী মনোভাৱৰ ওপৰত অনুসন্ধান কৰা,

(৫) সহায়ক-অনুদান (Grant-in-aid) ৰ ওপৰত অনুসন্ধান কৰা

(৬) মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাব্যৱস্থাৰ ওপৰত পৰামৰ্শ প্ৰদান কৰা।

আয়োগে প্ৰথম সভা কলিকতাত অনুষ্ঠিত কৰে আৰু প্ৰায় দুমাহ বিভিন্ন দিশৰ ওপৰত আলোচনা বিলোচনা কৰে। ইয়াৰ পিছত প্ৰায় আঠ মাহৰ বাবে ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত শৈক্ষিক ব্যৱস্থাৰ ওপৰত অধ্যয়ন কৰে। কঠোৰ পৰিশ্ৰমৰ অন্তত আয়োগে ছশ (৬০০) পৃষ্ঠাৰ সৈতে ২২২ টা প্ৰস্তাৱৰ এখন প্ৰতিবেদন দাখিল কৰে। এই আয়োগৰ প্ৰতিবেদনখন এক ঐতিহাসিক দলিল স্বৰূপ।

## প্ৰাথমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগৰ পৰামৰ্শাৱলী (Recommendations of the Hunter Commission on Primary Education) :

ভাৰতীয় শিক্ষা আয়োগে বিভিন্ন স্তৰৰ শিক্ষাব্যৱস্থাৰ ওপৰত পৰামৰ্শ দাঙি ধৰে। আয়োগে ১৮৫৪ চনৰ উড ডেছপাছৰ প্ৰতিবেদন সন্দৰ্ভত বিস্তৰ অধ্যয়ন কৰি পৰামৰ্শাৱলী প্ৰদান কৰে।

আয়োগে চৰকাৰৰ শৈক্ষিক নীতিসমূহ সমালোচনাত্মক দৃষ্টিভংগীৰে বিচাৰ কৰিছিল। এই কথা অনুকিয়াই দিয়া হৈছিল যে চৰকাৰে উদৰ ঘোষণাপত্ৰৰ নিৰ্দেশাৱলী অমান্য কৰিছে। প্ৰাদেশীক (provincial) চৰকাৰসমূহে ব্যক্তিগত শৈক্ষিক অনুষ্ঠানসমূহক আৰ্থিকভাৱে সহায় কৰা নাছিল। তদুপৰি আয়োগে সহায়ক অনুদান পদ্ধতিৰ (liberalisation) কৰিব বিচাৰিছিল যদিও চৰকাৰে নতুন শিক্ষানুষ্ঠান স্থাপনত বাধা আৰোপ কৰা দেখা গৈছিল। প্ৰাথমিক শিক্ষা স্থানীয় প্ৰশাসনক আৰু মাধ্যমিক আৰু কলেজীয়া শিক্ষা ব্যস্থাক দায়িত্বশীল কমিটিবোৰক অৰ্পন কৰা হৈছিল। এনেবোৰ দিশ পুংখানুপুঙ্খৰূপে বিশ্লেষণ কৰাৰ অন্ততঃ আয়োগে কেতবোৰ পৰামৰ্শ আগবঢ়ায়। প্ৰাথমিক শিক্ষা বিকাশৰ বাবে



আয়োগে আগবঢ়োৱা দিশসমূহক ৬টা ভাগত ভাগ কৰিব পাৰি। যেনে—

A. নীতি (Policy)

B. বিধানমণ্ডল আৰু প্ৰশাসন (Legislation and Administration)

C. বিত্তীয় ব্যৱস্থা (Finance)

D. বিদ্যালয় প্ৰশাসন (School Administration)

E. শিক্ষকৰ প্ৰশিক্ষণ (Training of Teachers)

F. পাঠ্যক্ৰম (Curriculum)

### (A) নীতি (Policy)

(i) প্ৰাথমিক শিক্ষা মাতৃভাষাৰ মাধ্যমেৰে প্ৰদান কৰিব লাগে।

(ii) প্ৰাথমিক শিক্ষা উচ্চস্তৰৰ শিক্ষা গ্ৰহণৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ বিপৰীতে বাস্তৱ জীৱনৰ লগত সংগতি থকা সৰ্বসাধাৰণৰ শিক্ষা হিচাপে প্ৰদান কৰিব লাগে।

(iii) চৰকাৰে প্ৰাথমিক স্কুলসমূহলৈ পৰ্যাপ্ত পৰিমাণে আৰু পৃষ্ঠপোষকতা সাহাৰ্য প্ৰদান কৰিব লাগে।

(iv) চৰকাৰী বিভাগৰ নিম্নখাপৰ পদসমূহৰ পূৰণ কৰিবলৈ শিক্ষিত ব্যক্তি নিৰ্বাচনৰ ওপৰত গুৰুত্ব দিব লাগে।

(v) পিছপৰা আৰু জনজাতীয় অঞ্চলৰ স্কুললৈ সাহাৰ্য প্ৰদান কৰাৰ ক্ষেত্ৰত চৰকাৰ মুক্ত আৰু নিৰপেক্ষ নীতি অৱলম্বন কৰিব লাগে।

(vi) এই শিক্ষাই শিক্ষাৰ্থীক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিবলৈ সহায় কৰিব লাগিব।

### (B) বিধানমণ্ডল আৰু প্ৰশাসনীয় (Legislation and Administration) :

(i) প্ৰাথমিক শিক্ষাৰ পৰিচালনাৰ দায়িত্ব জিলা বোৰ্ড আৰু মিউনিচিপাল বোৰ্ডক প্ৰদান কৰিব লাগে।

(ii) এই বোৰ্ডসমূহৰ প্ৰাথমিক শিক্ষা পৰিদৰ্শন কৰাৰ দায়িত্ব থাকিব।

(iii) নিৰ্দিষ্ট জিলাৰ প্ৰাথমিক স্কুলৰ বিত্তীয়, পৰিদৰ্শন, পৰিচালনা আৰু শিক্ষা প্ৰসাৰৰ দায়িত্ব স্থানীয় কৰ্তৃপক্ষ আৰু জিলাবোৰ্ডৰ হাতত ন্যস্ত থাকিব।

(iv) ইয়াৰদ্বাৰা চৰকাৰক প্ৰাথমিক শিক্ষাৰ দায়িত্বৰপৰা অব্যাহতি দিয়া হৈছিল।

(v) প্ৰদেশসমূহৰ অধীনৰ শিক্ষাব্যৱস্থাৰ বাবে পাঠ্যক্ৰম নিৰ্বাচন কৰাৰ দায়িত্ব নিগাজীকৈ ন্যস্ত কৰা হৈছিল।

(vi) স্থানীয় কৰ্তৃপক্ষই পৰিচালনা কৰা স্কুলসমূহ ধৰ্মনিৰপেক্ষ হব লাগিব।

### (C) বিত্তীয় ব্যৱস্থা (Finance) :

(i) জিলা আৰু মিউনিচিপাল বোৰ্ডসমূহে প্ৰাথমিক শিক্ষাৰ বাবে প্ৰয়োজনীয় পুজিৰ যোগান ধৰিব লাগে।

(ii) গ্ৰাম্য আৰু চহৰ অঞ্চলৰ বাবে ধন জমাৰাশিৰ শিতনে বেলেগ বেলেগ হব লাগে যাতে গ্ৰাম্য অঞ্চলৰ স্কুলৰ বাবে নিৰ্ধাৰিত পুজিৰ অপব্যৱহাৰ নহয়।

(iii) স্থানীয় পুজিৰ ধন একমাত্ৰ প্ৰাথমিক শিক্ষাৰ উন্নতিৰ বাবে ব্যয় কৰিব লাগে।

(iv) প্ৰাদেশিক চৰকাৰে স্থানীয় পুজিৰ ধন ঠিকমতে আৰু সময়মতে প্ৰদান কৰিব লাগিব।

(v) স্থানীয় বোৰ্ডৰ বাবে প্ৰয়োজনীয় সমগ্ৰ ধনৰ এক তৃতীয়াংশ ধন প্ৰাদেশিক চৰকাৰে স্থানীয় পুজিৰ বাবে যোগান ধৰিব।

(vi) প্ৰাদেশিক চৰকাৰে ৰাজহৰ পৰা লাভ কৰা এক বুজন অংশ ধন প্ৰাথমিক শিক্ষাৰ উন্নয়নৰ বাবে খৰছ কৰাটো বাধ্যতামূলক আছিল।

(vii) প্ৰয়োজনসাপেক্ষে স্থানীয় কৰ্তৃপক্ষই প্ৰাদেশিক চৰকাৰৰপৰা অনুমতি লৈ শিক্ষা কৰ বহুৱাব পাৰিব।

(viii) স্থানীয় কৰ্তৃপক্ষই পৰিচালনা কৰা স্কুলত অধ্যয়ন কৰা প্ৰত্যেক ছাত্ৰই মাচুল দিয়াটো বাধ্যতামূলক। অৱশ্যে আৰ্থিকভাৱে দুৰ্বল ছাত্ৰ-ছাত্ৰীৰ বাবে মাচুল ৰেহাই দিয়াটো প্ৰযোজ্য হব।

## D. বিদ্যালয় প্ৰশাসন (School Administration) :

বিদ্যালয়ৰ আভ্যন্তৰীণ দিশৰ পৰিচালনাৰ বাবে আয়োগে নিম্নলিখিত পৰামৰ্শ আগবঢ়ায়—

(ক) প্ৰাথমিক শিক্ষাৰ পাঠ্যক্ৰম স্থানীয় প্ৰয়োজন আৰু পৰিৱেশৰ সৈতে খাপ খোৱা হ'ব লাগে আৰু যিমান দূৰ সম্ভৱ সৰল হোৱাটো উচিত।

(খ) ব্যৱহাৰিক বিষয় যেনে— শৰীৰ বিজ্ঞান, কৃষিবিজ্ঞান, স্বাস্থ্যবিজ্ঞান, চিকিৎসা, চাৰু-কলা, ভাৰতীয় পদ্ধতিৰ পাটি গণিত আদি পাঠ্যক্ৰম অন্তৰ্ভূক্ত হ'ব লাগে।

(গ) বিদ্যালয় বন্ধ আৰু খোলাৰ সময় ঋতু অনুযায়ী হ'ব লাগে।

(ঘ) পাঠ্যপুথি নিৰ্বাচনত বিদ্যালয়ৰ পৰিচালকসকলৰ স্বাধীনতা থাকিব।

(ঙ) প্ৰাথমিক বিদ্যালয়ত শাৰীৰিক ব্যায়াম, থলুৱা খেলা-ধুলাৰ ব্যৱস্থা থাকিব লাগিব।

(চ) পৰিদৰ্শকসকলে নিজৰ সুবিধা অনুযায়ী বিদ্যালয় পৰিদৰ্শন কৰিব।

(ছ) ল'ৰা-ছোৱালীক মাতৃভাষাৰ মাধ্যমেৰে পাঠদান কৰিব লাগিব।

(জ) প্ৰত্যেক মহকুমা (Sub-division) তে প্ৰাথমিক শিক্ষকৰ প্ৰশিক্ষণৰ বাবে একোখনকৈ নৰ্মাল স্কুল (Normal School) থাকিব লাগিব।

### (E) শিক্ষকৰ বাবে প্ৰশিক্ষণ (Training of Teachers)

(i) প্ৰাথমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা থাকিব লাগে।

(ii) প্ৰত্যেকটো বিভাগীয় পৰিদৰ্শকৰ অধীনত একোখনকৈ নৰ্মাল স্কুল স্থাপন কৰিব লাগিব যাতে শিক্ষাৰ বাবে প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰিব পৰা যায়।



(iii) নৰ্মাল স্কুলৰ প্ৰশাসন আৰু পৰিচালনাৰ ভাৰ স্কুল পৰিদৰ্শকৰ ওপৰত ন্যস্ত থাকিব।

(iv) প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰীক প্ৰশিক্ষণৰ পাছত অধিক সাহায্য প্ৰদান কৰিব লাগিব।

### (F) পাঠ্যক্ৰম (Curriculum)

(i) প্ৰত্যেক প্ৰদেশে নিজৰ অধীনৰ স্কুলৰ বাবে নিজাকৈ পাঠ্যক্ৰম প্ৰস্তুত কৰিব পাৰিব।

(ii) পাঠ্যক্ৰম নিৰ্বাচন কৰোতে ভৌগোলিক অৱস্থানৰ প্ৰতি চকু ৰাখিব লাগিব। সমগ্ৰ দেশৰ বাবে একে পাঠ্যক্ৰম নিৰ্বাচন কৰিব নালাগে।

(iii) জীৱনৰ বাবে প্ৰয়োজনীয় দিশৰ লগত সংগতি ৰাখি ব্যৱহাৰিক পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।

(iv) পাঠ্যক্ৰমত কৃষি, বিজ্ঞান, অংক, জ্যামিতি, চিকিৎসা হিচাপ পৰীক্ষণ ইত্যাদি বিষয়সমূহ অন্তৰ্ভুক্ত কৰিব লাগে।

(v) শাৰিৰীক বিকাশৰ বাবে খেল-ধেমালি আৰু ব্যায়াম পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত হব লাগে।

## হান্টাৰ আয়োগ আৰু দেশীয় শিক্ষাব্যৱস্থা (Hunter Commission and Indigenous Education system) :

আয়োগৰ মতে যিবিলাক স্কুল দেশীয় লোকে দেশীয় পদ্ধতিৰে পৰিচালনা কৰি আছে, সেইবোৰেই দেশীয় শিক্ষা। যিহেতু এই স্কুলবোৰ বিভিন্ন দুৰবস্থা আৰু কঠিনতাৰ মাজেৰে চলি আছে। গতিকে ইয়াৰ শিক্ষাপদ্ধতি সলনি কৰি নতুন আৰু চলিত সময়ৰ লগত সংগতি ৰক্ষা কৰি ঠিক কৰিব লাগে। যদিহে এই স্কুলবোৰ চিনাক্তকৰণ কৰি সাহায্য প্ৰদান কৰাৰ ব্যৱস্থা কৰিব পৰা যায়, তেন্তে শিক্ষাপদ্ধতি উন্নত কৰিব পৰা যায়। এইক্ষেত্ৰত আয়োগে তলত দিয়াধৰণে পৰামৰ্শ দিছিল ঃ

(i) স্কুল পৰিচালনাৰ বাবে জিলা আৰু মিউনিচিপালিটি বোৰ্ড গঠন কৰি ভাৰতীয় প্ৰতিনিধি নিযুক্ত কৰিব লাগে।

(ii) চৰকাৰে দেশীয় শিক্ষব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ প্ৰত্যাহাৰ কৰিব লাগে।

(iii) শিক্ষকসকলক পৰ্যাপ্ত পৰিমাণে প্ৰশিক্ষণ প্ৰদান কৰিব লাগে।

(iv) প্ৰত্যেক প্ৰদেশেই পাঠ্যক্ৰম নিৰ্বাচন, শিক্ষা পদ্ধতি প্ৰয়োগ আৰু পৰীক্ষা পদ্ধতি নিজাকৈ স্থিৰ কৰিব পৰা ধৰণে স্বাধীন হব লাগে।

(v) কিছুমান ব্যৱহাৰিক পাঠ্যক্ৰম সংযোজন কৰিবলৈ ৰাজ্য চৰকাৰে স্কুলসমূহলৈ আৰ্থিক সাহায্য প্ৰদান কৰিব লাগে।

(vi) আয়োগে স্কুলসমূহলৈ ফলাফলৰ ভিত্তিত সাহায্য (Payment by result) প্ৰদান কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল যাৰফলত উপযুক্ত স্কুলে সাহায্য লাভ কৰিবলৈ সক্ষম হয়।

## মাধ্যমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগৰ পৰামৰ্শাৱলী (Recommendations of Hunter Commission on Secondary Education) :

উডৰ ঘোষণাপত্ৰৰ পিছত ভাৰতবৰ্ষত মাধ্যমিক স্কুলৰ পৰিমাণ যথেষ্ট পৰিমাণে বাঢ়িছিল কিন্তু ইয়াৰ গুণগত মান বৃদ্ধি পোৱা নাছিল। গতিকে আয়োগে মাধ্যমিক শিক্ষাৰ গুণগত দিশৰ বৃদ্ধিৰ ওপৰত জোৰ দিছিল। শিক্ষা প্ৰসাৰৰ বাবে আয়োগে দিয়া পৰামৰ্শাৱলীৰ ভিতৰত এটা প্ৰধান পৰামৰ্শ আছিল যে চৰকাৰে ক্ৰমাগতভাৱে মাধ্যমিক শিক্ষাৰপৰা আতৰি আহিব লাগে। এই শিক্ষাৰ দায়িত্ব কোনো বেচৰকাৰী প্ৰতিষ্ঠান নাইবা সমৰ্থবান ভাৰতীয় লোকৰ ওপৰত ন্যস্ত কৰিব লাগে। তদুপৰি মাধ্যমিক শিক্ষাৰ বাবে স্কুললৈ প্ৰদান কৰা আৰ্থিক সাহায্য মুক্ত আৰু যুক্তিসংগতভাৱে প্ৰদান কৰিব লাগে যাতে উপযুক্ত বিদ্যালয়সমূহ ইয়াৰপৰা বঞ্চিত নহয়। তদুপৰি চৰকাৰে প্ৰয়োজনসাপেক্ষে অধিক বিদ্যালয় স্থাপনৰ ওপৰত গুৰুত্ব দিব লাগে। প্ৰতিখন জিলাতে চৰকাৰে একোখনকৈ আদৰ্শ বিদ্যালয় স্থাপন কৰিব লাগে আৰু স্কুল প্ৰশাসনৰ দায়িত্ব নিৰ্দিষ্ট জিলাৰ লোকসকলে গ্ৰহণ কৰিব লাগে। ইয়াৰোপৰি বেচৰকাৰী প্ৰতিষ্ঠানসমূহেও শিক্ষা বিস্তাৰৰ দায়িত্ব গ্ৰহণ কৰিব পাৰে। মাধ্যমিক শিক্ষা সম্প্ৰসাৰণ কৰিবলৈ হাণ্টাৰ আয়োগে নিম্নোক্ত পৰামৰ্শসমূহ আগবঢ়াইছিল—

(i) চৰকাৰে ক্ৰমাগতভাৱে মাধ্যমিক শিক্ষাৰ দায়িত্বৰ পৰা আতৰি আহিব লাগে আৰু এই শিক্ষাৰ ভাৰ কোনো সমৰ্থনবান ভাৰতীয় নাইবা বেচৰকাৰী প্ৰতিষ্ঠানক এৰি দিব লাগে।

(ii) এই স্কুলসমূহ নিয়াৰিকৈ চলিবলৈ চৰকাৰে পৰ্যাপ্ত সাহায্য আগবঢ়াব লাগে। সাহায্য প্ৰদানৰ ক্ষেত্ৰত মুক্ত আৰু নিৰপেক্ষ নীতি গ্ৰহণ কৰিব লাগে।

(iii) বেচৰকাৰী স্কুল স্থাপনৰ ওপৰত অগ্ৰাধিকাৰ দিব লাগে যাতে মাধ্যমিক শিক্ষাৰ চাহিদা পৰ্যাপ্ত পৰিমাণে পূৰণ কৰিব পৰা যায়।

(iv) শিক্ষাগ্ৰহণৰ বাবে আকৰ্ষিত কৰিবলৈ বেচৰকাৰী স্কুলৰ ছাত্ৰ-ছাত্ৰীৰ পৰা কম পৰিমাণে মাচুল সংগ্ৰহ কৰিব লাগে। চৰকাৰী বিদ্যালয়ৰ তুলনাত বেচৰকাৰী বিদ্যালয়ৰ মাচুল কম হব লাগে।

(v) চৰকাৰে প্ৰতিখন জিলাতে একোখনকৈ আদৰ্শ (Model) স্কুল স্থাপন কৰাৰ ওপৰত গুৰুত্ব দিব লাগে। এই চৰকাৰী স্কুলখন ৰাজ্যৰ আন আন চৰকাৰী আৰু বেচৰকাৰী স্কুলৰ আদৰ্শ হিচাপে পৰিগণিত হব।

(vi) প্ৰয়োজনসাপেক্ষে চৰকাৰে অধিক স্কুল স্থাপনৰ ওপৰত গুৰত্ব দিব লাগে যাতে শিক্ষাৰ্থীৰ প্ৰয়োজন পূৰণ কৰিব পৰা যায়।

## মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰম (Curriculum of Secondary Education)

মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমৰ ক্ষেত্ৰত আয়োগে বিভিন্ন দিহা পৰামৰ্শ আগবঢ়াইছিল। সেইবোৰ হ'ল —

(i) পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত ইচ্ছা-আকাংক্ষা আৰু আগ্ৰহ পূৰণ কৰিব পৰাকৈ বিভিন্ন বিষয়ৰ অন্তৰ্ভুক্তি কৰিব লাগে।



(ii) পাঠ্যক্ৰমত কাৰিকৰী আৰু ব্যৱহাৰিক দুয়োটা দিশ অন্তৰ্ভুক্ত কৰিব লাগে।

(iii) পাঠ্যক্ৰমৰ মানদণ্ড উন্নত কৰিবলৈ দুইধৰণে ইয়াক ভাগ কৰিব লাগে 'A'–course আৰু 'B'–course. প্ৰথমভাগৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ বাবে এণ্ট্ৰেন্স (Entrance) পৰীক্ষাত অৱতীৰ্ণ হব পাৰিব আৰু দ্বিতীয়ৰ ছাত্ৰ-ছাত্ৰীয়ে মাধ্যমিক শিক্ষা সমাপ্ত কৰাৰ পাছত কাৰিকৰী আৰু আন আন বৃত্তিমূলক শিক্ষা গ্ৰহণ কৰিব পাৰিব।

(iv) 'A'–course হব প্ৰধানতঃ পুথিগত বিদ্যা আৰু 'B'–course হব ব্যৱহাৰিক য'ত বাণিজ্যিক আৰু সাহিত্যৰ বাহিৰৰ (Non-literary) বিষয়সমূহ অন্তৰ্ভুক্ত কৰা হব।

(iv) ছাত্ৰ-ছাত্ৰীয়ে নিজৰ সামৰ্থ আৰু প্ৰয়োজন অনুযায়ী বিষয় নিৰ্বাচন কৰাৰ সুবিধা থাকিব।

## শিক্ষাৰ মাধ্যম ঃ (Medium of Instruction)

হাণ্টাৰ আয়োগে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত আগবঢ়োৱা শিক্ষাৰ মাধ্যমৰ দিশ অধিক গ্ৰহণযোগ্য নাছিল। শিক্ষাৰ মাধ্যমৰ ক্ষেত্ৰত আয়োগে তলত দিয়া পৰামৰ্শসমূহ আগবঢ়াইছিল ঃ

(i) মাধ্যমিক শিক্ষাৰ বাবে ব্যৱহাৰ কৰা মাধ্যম সম্পৰ্কে উল্লেখ কৰিছিল যে শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱা অনুচিত বৰঞ্চ ইংৰাজী ভাষা শিক্ষাৰ মাধ্যম হব লাগে।

(ii) মজলীয়া বিদ্যালয়সমূহৰ ক্ষেত্ৰত তেনে কোনো নিৰ্দিষ্ট নীতি গ্ৰহণ কৰা দেখা নগৈছিল। এইবোৰ স্কুলৰ নীতি বেচৰকাৰী পৰিচালনা সমিতিয়ে প্ৰয়োজনভিত্তিকভাৱে নিৰ্ধাৰণ কৰিব।

(iii) শিক্ষাৰ মাধ্যম সম্পৰ্কে আয়োগৰ কোনো স্পষ্ট নীতি নিৰ্দেশনা নাছিল। যিহেতু ই এক সহজ বিষয় নহয়, গতিকে পৰিচালনা কমিটিয়ে নিজ স্কুলৰ প্ৰয়োজনৰ ভিত্তিত কোনো সিদ্ধান্ত গ্ৰহণ কৰিব।

## শিক্ষকৰ প্ৰশিক্ষণ (Training of Teachers)

সেই সময়ত মাধ্যমিক শিক্ষকৰ বাবে প্ৰশিক্ষণৰ সিমান সুবিধা নাছিল। মাদ্ৰাজ আৰু লাহোৰত দুখন শিক্ষক—প্ৰশিক্ষণ বিদ্যালয় আছিল। গতিকে মাধ্যমিক স্কুলৰ শিক্ষকক প্ৰশিক্ষণ দিবলৈ আয়োগে প্ৰয়োজনীয় প্ৰশিক্ষণ বিদ্যালয় স্থাপনৰ ওপৰত গুৰুত্ব দিছিল। এইক্ষেত্ৰত আয়োগৰ পৰামৰ্শ আছিল এনেধৰণৰ—

(i) শিক্ষকৰ প্ৰশিক্ষণৰ বাবে পৰ্যাপ্ত প্ৰশিক্ষণ কেন্দ্ৰৰ ব্যৱস্থা কৰিব লাগে।

(ii) যিবিলাক শিক্ষকে শিক্ষাতত্ত্ব আৰু শিক্ষাদান প্ৰণালীৰ পৰীক্ষা পাছ কৰিছে তেনে শিক্ষকক স্থায়ী নিযুক্তিৰ সুবিধা দিব লাগে।

(iii) স্নাতক আৰু নিম্ন-স্নাতক উভয় শ্ৰেণীৰ শিক্ষকৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা বেলেগ বেলেগ হোৱা উচিত।

(iv) নিম্ন-স্নাতকৰ শিক্ষকৰ বাবে প্ৰশিক্ষণৰ সময়সীমা স্নাতক পৰ্যায়ৰ শিক্ষকতকৈ দীঘলীয়া হোৱা উচিত।

## সহায়ক অনুদান ব্যৱস্থা সম্বন্ধে হাণ্টাৰ আয়োগৰ পৰামৰ্শসমূহ (Suggestions of Hunter Commission on Grant-in-aid system) :

হাণ্টাৰ আয়োগে সহায়ক অনুদান প্ৰদানৰ ক্ষেত্ৰত কেতবোৰ দোষ-ত্ৰুটি চিনাক্ত কৰি মন্তব্য কৰে যে ব্যক্তিগতভাৱে পৰিচালিত শিক্ষানুষ্ঠানসমূহত যথোচিত পৰিমাণৰ অৰ্থ সাহায্য প্ৰদান কৰা হোৱা নাই। ভিন ভিন বিদ্যালয় অথবা গাঁও অঞ্চলত বিভিন্ন ধৰণে সহায়ক অনুদান দিয়া হয়। তদুপৰি চৰকাৰৰ অনুদান ব্যৱস্থা নীতি-নিয়মবোৰ জটিল বিধৰ। গতিকে এনে সমস্যা দূৰ কৰাৰ বাবে আয়োগে নিম্নলিখিত পৰামৰ্শসমূহ প্ৰদান কৰে।

১। স্থানীয় প্ৰয়োজনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি সহায়ক অনুদান ব্যৱস্থাৰ সংশোধন কৰা উচিত।

২। বিভিন্ন অঞ্চলৰ স্থানীয় অনুষ্ঠানসমূহে নিজৰ ইচ্ছা অনুসৰি সহায়ক অনুষ্ঠান গ্ৰহণৰ স্বাধীনতা লাভ কৰিব লাগে।

৩। অনুদান প্ৰদানৰ ক্ষেত্ৰত চৰকাৰী আৰু বেচৰকাৰী অনুষ্ঠান হিচাপে বৈষম্যমূলক মনোভাৱ গ্ৰহণ কৰিব নালাগিব।

৪। ছাত্ৰসকলক বৃত্তি প্ৰদানৰ ক্ষেত্ৰতো চৰকাৰী আৰু বেচৰকাৰী দৃষ্টিভংগীৰে বিচাৰ কৰি নালাগিব।

৫। কেৱল প্ৰাথমিক শিক্ষা স্তৰতহে ফলাফলৰ ভিত্তিত অনুদান দিয়া ব্যৱস্থা থাকিব লাগে, মাধ্যমিক আৰু উচ্চ স্তৰত নহয়।

৬। বিদ্যালয়ৰ ঘৰ-দুৱাৰ নিৰ্মাণ, পুথিভঁৰাল স্থাপন, পৰীক্ষাগাৰ সা-সুবিধা আদিৰ বাবে নিৰ্দিষ্ট পৰিমাণৰ অনুদান চৰকাৰে দিব লাগে।

৭। সহায়ক অনুদান ব্যৱস্থাৰ সাল-সলনিৰ বাবে বেচৰকাৰী অনুষ্ঠানৰ লগত আলোচনা কৰা উচিত।

৮। সহায়ক অনুদান সময়মতে দিয়া উচিত আৰু কাৰণ নেদেখুৱাই তাক বন্ধ কৰিব নালাগে।

## হাণ্টাৰ আয়োগ আৰু উচ্চ শিক্ষা (Hunter Commission and Higher Education) :

যদিও হাণ্টাৰ আয়োগৰ পৰামৰ্শৱলী মূলত প্ৰাথমিক শিক্ষাক কেন্দ্ৰ কৰি আছিল, তথাপিও আয়োগে শিক্ষাৰ ওপৰতো কেতবোৰ পৰামৰ্শ আগবঢ়ায়। সময়ৰ প্ৰয়োজনৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আয়োগে দিয়া পৰামৰ্শসমূহ তলত উল্লেখ কৰা হ'ল।

(i) চৰকাৰে উচ্চ শিক্ষাৰ দায়িত্বৰপৰা পাৰ্যমানে আঁতৰত থাকিব লাগে। যিমান সোনকালে পাৰি এই ব্যৱস্থা কাৰ্যকাৰী কৰিব লাগে।



(ii) চৰকাৰী সাহায্য প্ৰদান কৰাৰ ক্ষেত্ৰত শিক্ষকৰ সংখ্যা, শিক্ষানুষ্ঠানৰ বাবে প্ৰয়োজনীয় যাবতীয় খৰছ। অনুষ্ঠানৰ উৎকৃষ্টতা আৰু স্থানীয় প্ৰয়োজনৰ ভিত্তিত প্ৰদান কৰিব লাগে।

(iii) প্ৰয়োজনসাপেক্ষে শিক্ষানুষ্ঠানৰ গৃহ নিৰ্মাণ, আচবাব, পুথিভঁৰাল আৰু বৈজ্ঞানিক সা-সৰঞ্জামৰ বাবে আৰ্থিক সাহায্য চৰকাৰে প্ৰদান কৰিব লাগে।

(iv) মেধাবী ছাত্ৰ-ছাত্ৰীক উচ্চ শিক্ষা লাভৰ বাবে বিদেশলৈ যোৱাৰ বৃত্তি প্ৰদান কৰিব লাগে।

(v) বিদেশত শিক্ষা গ্ৰহণ কৰা ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা সমাপ্ত কৰি আহি উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত শিক্ষাদান কৰাৰ সুবিধা প্ৰদান কৰাৰ ওপৰত গুৰুত্ব দিছিল।

(vi) মহাবিদ্যালয়ৰ অধ্যক্ষ নাইবা কোনো এগৰাকী অধ্যাপকে প্ৰতিটো শিক্ষাবৰ্ষতে মানবধৰ্মৰ সাৰতত্ত্ব অনুভৱ কৰিব পৰা পাঠদান কৰিব লাগিব। যাতে ছাত্ৰ-ছাত্ৰীয়ে নৈতিক জ্ঞান লাভ কৰিব পাৰে।

(vii) বেচৰকাৰী শিক্ষানুষ্ঠানে চৰকাৰী শিক্ষানুষ্ঠানৰ তুলনাত কম পৰিমাণে মাচুল ছাত্ৰ-ছাত্ৰীৰপৰা সংগ্ৰহ কৰিব লাগিব।

(viii) মহাবিদ্যালয়ৰ পাঠ্যক্ৰমৰ পৰিসৰ বৃদ্ধি কৰিবলৈ কেতবোৰ বিকল্প বিষয় অন্তৰ্ভুক্ত কৰিব লাগে। ছাত্ৰ-ছাত্ৰীসকলে আগ্ৰহ অনুসৰি বিষয় নিৰ্বাচন কৰাৰ সুবিধা দিব লাগে।

(ix) উচ্চ শিক্ষাৰ পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ ব্যক্তিগত প্ৰয়োজন পূৰণ কৰিব পৰা বিধৰ হ'ব লাগে।

(x) মহাবিদ্যালয়ত বিনামূলীয়া শিক্ষা পোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা সীমিত হ'ব লাগিব।

(xi) ভাৰতীয় ব্যক্তিগত অনুষ্ঠানসমূহ উৎসাহ যোগোৱাৰ বাবে মহাবিদ্যালয়সমূহ মুক্ত অনুদান প্ৰদান কৰিব লাগে।

(xii) ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ক মাচুল সংগ্ৰহত অধিক স্বাধীনতা দিব লাগে।

(xiii) পুথিভঁৰাল আৰু গৱেষণা কাৰ্যৰ বাবেও অনুদান আগবঢ়াব লাগে।

## মিছনেৰীসকলৰ উদ্যোগ (Missionary Enterprise) :

উডৰ ঘোষণাপত্ৰৰ ফলস্বৰূপে মিছনেৰীসকলৰ শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত এক উৎসাহৰ সৃষ্টি হোৱা দেখা হৈছিল। শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকে সম্পূৰ্ণৰূপে অধিকাৰ লাভ কৰিব বুলি আশা কৰিছিল। কিন্তু কাৰ্যক্ষেত্ৰত সেইটো হোৱা দেখা নগল। সেইবাবে তেওঁলোকে ইংলেণ্ডত ইয়াৰ বিৰুদ্ধে আন্দোলন আৰম্ভ কৰিলে আৰু ফলস্বৰূপে হান্টাৰ আয়োগে গঠন কৰা হল। বিভিন্ন দিশত কাৰ্যকৰী হোৱাকৈ এই আয়োগ গঠন কৰা হৈছিল। ইয়াৰ ফলত মিছনেৰীসকলৰ আশা পুনৰ জাগি উঠিছিল। কিন্তু কাৰ্যক্ষেত্ৰত ইয়াৰ ওলোটা হোৱাটোহে দেখা গল। আয়োগে শিক্ষাৰ ভাৰ চৰকাৰী হস্তক্ষেপৰ পৰা আতৰাই বেচৰকাৰী উদ্যোগক প্ৰদান কৰাটোত মত প্ৰকাশ কৰিছিল। কিন্তু বেচৰকাৰী উদ্যোগ মানে ইয়াত মিছনেৰীসকলক বুজোৱা নাছিল। যিহেতু শিক্ষাব্যৱস্থা জনসাধাৰণৰ লগত জড়িত গতিকে সাধাৰণ

জনগণে ইয়াৰ দায়িত্ব গ্ৰহণ কৰিব লাগে। তদুপৰি বেচৰকাৰী সমৰ্থনবান ভাৰতীয় ইয়াৰ উদ্যোগ গ্ৰহণ কৰিব লাগে। স্থানীয় কৰ্তৃপক্ষই প্ৰাথমিক শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিব লাগে। উচ্চ শিক্ষাৰ ক্ষেত্ৰত দায়িত্বশীল ভাৰতীয় লোকক কোনো সংগঠনৰ জৰিয়তে শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰাৰ পৃষ্ঠপোষকতা কৰিছিল। কিন্তু কোনো ক্ষেত্ৰতেই শিক্ষাৰ দায়িত্ব চৰকাৰৰ হাতৰপৰা স্থানগত কৰি মিছনেৰীসকলৰ হাতত প্ৰদান কৰাৰ মত পোষণ কৰা নাছিল। ইয়াৰ ফলত দেখা গৈছিল যে বেচৰকাৰী শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত মিছনেৰীসকলৰ উদ্যোগ বেচৰকাৰী যুটীয়া উদ্যোগতকৈ কম পৰিমাণে প্ৰভাৱান্বিত হৈছিল। ঠিক সেইদৰে ভাৰতীয় লোকসকলো এই দিশত সচেতন হোৱা দেখা হৈছিল। তেওঁলোকে বুজি উঠিছিল যে দেশত জাতীয় শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ হলে শিক্ষাৰ দায়িত্ব ভাৰতীয়সকলে গ্ৰহণ কৰাটো বাঞ্চনীয়। অন্যথাই সকলো প্ৰচেষ্টা বিফলে যাব।

## স্ত্ৰী শিক্ষা (Women Education) :

স্ত্ৰীশিক্ষাৰ ক্ষেত্ৰত আয়োগে মত প্ৰকাশ কৰিছিল যে—

(i) চৰকাৰে মহিলা শিক্ষানুষ্ঠানলৈ সাহায্য আগবঢ়াওতে সদায় মুক্ত আৰু নিৰপেক্ষভাৱে আগবঢ়াব লাগে।

(ii) তদুপৰি মহিলা শিক্ষয়িত্ৰীৰ বাবে প্ৰয়োজনসাপেক্ষে কৃতিত্বমূলক পুৰষ্কাৰ আগবঢ়াব লাগে।

(iii) মহিলাৰ বাবে প্ৰশিক্ষণ প্ৰদান কৰিবলৈ নৰ্মাল স্কুল স্থাপনৰ ব্যৱস্থা কৰিব লাগে।

(iv) প্ৰাথমিক স্তৰত মহিলাৰ বাবে সাধাৰণ বিষয়ৰ পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লাগে।

(v) সম্ভৱ হলে মহিলা শিক্ষাৰ পৰিদৰ্শনৰ বাবে পৃথক পৰিদৰ্শকৰ কাৰ্যলয়ৰ ব্যৱস্থা কৰিব পাৰি।

(vi) যিবিলাক ছোৱালীয়ে আৰ্থিক দুৰবস্থাৰ বাবে শিক্ষা গ্ৰহণ কৰিব নোৱাৰে, তেনে ক্ষেত্ৰত বৃত্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিব পাৰি।

(vii) পিছপৰা আৰু অনুন্নত এলেকাত পৃথক ছোৱালী স্কুলৰ ব্যৱস্থা কৰিব লাগে।

(viii) দূৰৈৰ ছাত্ৰীসকলৰ বাবে ছাত্ৰী আবাস স্থাপন কৰিব লাগিব।

## মুছলমান সকলৰ বাবে শিক্ষা (Education for Muslims) :

সেই সময়ছোৱাত মুছলমান শিক্ষাব্যৱস্থা হিন্দুসকলতকৈ যথেষ্ঠ পিছপৰা আছিল। গতিকে শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত তেওঁলোকক আনৰ দৰে আগুৱাই নিবলৈ তেওঁলোকৰ বাবে বিশেষ শিক্ষাৰ ব্যৱস্থা কৰিব লাগে।

(i) দেশীয় মুছলমান শিক্ষাব্যৱস্থা, মাদ্ৰাছা, মোক্তাৱ আদি অনুষ্ঠানসমূহক উৎসাহিত কৰিব লাগে।

(ii) মুছলমান শিক্ষাৰ বাবে পৃথক নৰ্মাল স্কুল স্থাপন কৰিব লাগে।

(iii) তদুপৰি মুছলমান ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ মজলীয়া বিদ্যালয় আৰু উচ্চ শিক্ষাৰ বিদ্যালয় স্থাপন কৰি মুছলমান শিক্ষিত লোকক নিযুক্তি দিব লাগে।



(iv) শিক্ষানুষ্ঠানসমূহ পৰিদৰ্শন কৰিবৰ বাবে মুছলমান পৰিদৰ্শকক নিযুক্তি দিব লাগে। মুছলমান ছাত্ৰ-ছাত্ৰীৰ বাবে জলপানিৰ ব্যৱস্থা কৰিব লাগে।

(v) চৰকাৰী কাম-কাজত মুছলমান লোকসকলক উপযুক্তভাৱে প্ৰতিনিধিত্বৰ সুবিধা দিব লাগে।

(vi) মুছলমানসকলৰ শিক্ষা উন্নতি কৰিব বিচৰা সামাজিক অনুষ্ঠানসমূহক উৎসাহিত কৰিব লাগে।

**ধৰ্মীয় শিক্ষা (Secular Education) :** ধৰ্মীয় শিক্ষাৰ ক্ষেত্ৰত আয়োগে ধৰ্মনিৰপেক্ষতাৰ নীতি কঠোৰভাৱে পালন কৰিবলৈ পৰামৰ্শ দিছিল। ধৰ্ম শিক্ষা প্ৰদান কৰাৰ ওপৰত কোনো বাধা-নিষেধ আৰোপ নকৰিলেও চৰকাৰী স্কুলসমূহত ধৰ্মশিক্ষা প্ৰদানৰ অনুমতি দিয়া নাছিল। প্ৰয়োজন হলে কোনো ধৰ্মীয় অনুষ্ঠানে নিজাকৈ স্কুল স্থাপন কৰিব পাৰে। আয়োগে ধৰ্মীয় শিক্ষাৰ ওপৰত স্কুলসমূহত এলানি বক্তৃতা প্ৰদান কৰিবলৈ অনুমতি দিছিল। তদুপৰি পাঠ্যক্ৰমত ধৰ্মবিষয়ক গ্ৰন্থৰ অন্তৰ্ভুক্তিকৰণৰ ওপৰতো গুৰুত্ব দিছিল।

## হৰিজন আৰু পিছপৰা শ্ৰেণীৰ লোকৰ শিক্ষা সম্বন্ধে হাণ্টাৰ আয়োগৰ পৰামৰ্শ (Suggestions of Hunter Commission on the Horizons and the Backward classes) :

ভাৰতৰ সমাজ ব্যৱস্থাত চলি অহা জাতি-ভেদ প্ৰথাৰ বাবে শিক্ষাই সকলো শ্ৰেণীৰ লোকৰ মাজত স্থান পোৱা নাছিল। বিশেষকৈ সমাজৰ নিম্নস্তৰৰ লোকসকল শিক্ষাৰ পৰা বঞ্চিত হৈছিল। হাণ্টাৰ আয়োগে দেশৰ এই শ্ৰেণীৰ লোকসকলৰ শিক্ষাৰ বাবে নিম্নলিখিত পৰামৰ্শসমূহ আগবঢ়ায়—

১। চৰকাৰী, পৌৰসভা আৰু স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা পৰিচালিত বিদ্যালয়সমূহত হৰিজন আৰু পিছপৰা শ্ৰেণীলোকৰ নামভৰ্ত্তি সুনিশ্চিত কৰিব লাগে।

২। যিবোৰ অঞ্চলত প্ৰতিবাদৰ সৃষ্টি হয় তেনে ঠাইত পৃথক বিদ্যালয় স্থাপনৰ ব্যৱস্থা কৰিব লাগে।

৩। শিক্ষক তথা বিদ্যালয়ৰ পৰিদৰ্শক সকলে জাতি বিদ্বেষৰ ভাৱ আঁতৰ কৰিবলৈ চেষ্টা কৰিব লাগে।

## অন্যান্য ব্যৱস্থা (Other Provisions) :

ৰাজপুত্ৰ আৰু ৰাজকীয় পৰিয়ালৰ লোকসকলৰ বাবে বিশেষ শিক্ষানুষ্ঠান স্থাপনৰ পৃষ্ঠপোষকতা আয়োগে কৰিছিল। তদুপৰি শাসকৰ ল'ৰা-ছোৱালী আৰু উচ্চপদস্থ ৰাজকীয় ব্যক্তিৰ ল'ৰা-ছোৱালীৰ বাবেও এনে অনুষ্ঠান স্থাপনৰ হকে মত পোষন কৰিছল।

প্ৰাপ্তবয়স্কসকলৰ বাবে শিক্ষা দিয়াৰ ওপৰতো আয়োগে মত প্ৰকাশ কৰিছিল। যিহেতু প্ৰাপ্তবয়স্কৰ সাক্ষৰতাৰ ওপৰত দেশৰ প্ৰগতি নিৰ্ভৰ কৰে। গতিকে তেওলোকক যিকোনো উপায়ে সাক্ষৰ কৰি তুলিব লাগে। ইয়াৰ বাবে ঠায়ে ঠায়ে নৈশ বিদ্যালয় স্থাপনৰ ওপৰতো গুৰুত্ব দিছিল।

জনজাতি আৰু ভূমিপুত্ৰসকলৰ বাবে শিক্ষাৰ বিশেষ ব্যৱস্থা কৰিবলৈও আয়োগে মত পোষণ কৰিছিল। প্ৰয়োজনসাপেক্ষে চৰকাৰে পিছপৰা অঞ্চলত স্কুল স্থাপন কৰিব লাগে আৰু দুখীয়া আৰু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তিৰ ব্যৱস্থা কৰিব লাগে।

## সমালোচনা (Criticism) :

হান্টাৰ আয়োগে ভাৰতবৰ্ষৰ শিক্ষাৰ ওপৰত এক সামগ্ৰিক দৃষ্টি নিক্ষেপ কৰিছিল। প্ৰাথমিক স্তৰৰপৰা আৰম্ভ কৰি কলেজীয়া শিক্ষালৈ আয়োগে মত প্ৰকাশ কৰিছিল। আয়োগৰ পৰামৰ্শমতে চৰকাৰে শিক্ষা ব্যৱস্থাৰ ওপৰত হস্তক্ষেপ নকৰি ইয়াৰ ভাৰ স্থানীয় লোকক প্ৰদান কৰাটো অতি সময়োপযোগী সিদ্ধান্ত আছিল। তদুপৰি মিছনেৰীসকলক শিক্ষাৰ ভাৰ প্ৰদান কৰাটোৰ বিপক্ষে আয়োগে মত প্ৰকাশ কৰিছিল। শিক্ষকৰ প্ৰশিক্ষণ, বৃত্তিমূলক শিক্ষাৰ অন্তৰ্ভুক্তিকৰণ আৰু প্ৰাথমিক শিক্ষা বিস্তাৰ আন কিছুমান পৰামৰ্শ আছিল। এই সকলোবোৰ সিদ্ধান্ত অতি উপযোগী আৰু যুগপৎ আছিল।

বিভিন্ন গ্ৰহণযোগ্য পৰামৰ্শৰ বিপৰীতে হান্টাৰ আয়োগে এক হঠকাৰী পৰামৰ্শ দিছিল যে চৰকাৰে শিক্ষাব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ সম্পূৰ্ণৰূপে পৰিত্যাগ কৰি বেচৰকাৰী আৰু স্থানীয় কৰ্তৃপক্ষৰ ওপৰত ইয়াৰ দায়িত্ব প্ৰদান কৰিব লাগে। ইয়াৰ ফলত শিক্ষা বিস্তাৰৰ ক্ষেত্ৰত যথেষ্ট বাধাৰ সৃষ্টি হৈছিল। নতুন শিক্ষানুষ্ঠান স্থাপন আৰু বিকাশৰ গতি মন্থৰ হৈ পৰিছিল। ভাৰতীয় লোকসকলৰ বেচৰকাৰী উদ্যোগ নাইবা কিছুমান প্ৰাইভেট শিক্ষানুষ্ঠানৰ ক্ষেত্ৰত বিশেষ অসুবিধাৰ সৃষ্টি হোৱা নাছিল যদিও অভিজ্ঞতাৰ অভাৱত এইক্ষেত্ৰত বিভিন্ন বাধাৰ সন্মুখীন হোৱা দেখা গৈছিল। অনভিজ্ঞতা, পুজিৰ অভাৱ ইত্যাদি বিভিন্ন কাৰণত শিক্ষাৰ অগ্ৰগতি মন্থৰ হৈ পৰিছিল। ইয়াৰোপৰি স্কুলৰ সংখ্যা বাঢ়িছিল যদিও এইবোৰৰ মানদণ্ড নিম্নগামী হবলৈ ধৰিছিল। শিক্ষাৰ পৰা চৰকাৰী নিয়ন্ত্ৰণৰ প্ৰত্যাহাৰৰ পৰিণামস্বৰূপে বিদ্যালয়সমূহে আৰ্থিক সংকটত ভুগিছিল। বিদ্যালয়ৰ আন্তঃগাঠনি প্ৰয়োজনীয় আচবাব-পাতিৰ অভাৱ অনুভৱ কৰা হৈছিল।

হান্টাৰ আয়োগে ফলাফলৰ ভিত্তিত অনুদান (Payment by result) আগবঢ়োৱাৰ সপক্ষে যুক্তি প্ৰদান কৰিছিল যাৰ ফলত বহুতো স্কুল চৰকাৰী সাহায্যৰপৰা বঞ্চিত হৈছিল। যদিও অনুদান আগবঢ়োৱাৰ ক্ষেত্ৰত কিছুমান নীতি গ্ৰহণ কৰাৰ সপক্ষে উডৰ ঘোষণাপত্ৰই পৰামৰ্শ দিছিল। তথাপিও পৰীক্ষাৰ ফলাফলক ইয়াৰ ভিত্তি হিচাপে লোৱাটো গ্ৰহণ কৰা নাছিল। কিন্তু হান্টাৰ আয়োগৰ এই পৰামৰ্শই বহু স্কুলক আৰ্থিক সংকটৰ পিনে ঠেলি দিছিল।

আয়োগে মাধ্যমিক শিক্ষাৰ মাধ্যম মাতৃভাষা হোৱাটো বিচৰা নাছিল। বৰঞ্চ ইংৰাজীক ইয়াৰ মাধ্যমস্বৰূপে গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিছিল। তদুপৰি প্ৰাথমিক শিক্ষাতকৈ মাধ্যমিক আৰু উচ্চ শিক্ষা বিস্তাৰৰ ওপৰত অধিক অগ্ৰাধিকাৰ দিছিল। যদিও স্থানীয় কৰ্তৃপক্ষক অধিকসংখ্যক স্কুল খুলিবলৈ স্বত্ব প্ৰদান কৰিছিল, কৰ্তৃপক্ষ এইক্ষেত্ৰত সম্পূৰ্ণ সফল হোৱা নাছিল। দেশীয় ভাষাৰ স্কুলৰ বিকাশ আৰু অগ্ৰগতিৰ দিশত 'ফলাফলভিত্তিক অনুদান' (Payment by result) হেঙাৰস্বৰূপে থিয় দিছিল। এইক্ষেত্ৰত কিছুমানে অস্তিত্বৰ সংকটত ভুগিবলগীয়া হৈছিল।



## শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত হান্টাৰ আয়োগৰ প্ৰভাৱ (১৮৮২-১৯০৪) Effect on Growth of Education of Hunter Commission (1882-1904)

### উচ্চ শিক্ষা (Higher Education) :

হান্টাৰ আয়োগৰ পৰামৰ্শমতে ভাৰতবৰ্ষত কলেজৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি হয়। ১৮৮২ চনত এখন 'বিশেষ আইন'ৰ (Special Act) মতে পাঞ্জাৱ বিশ্ববিদ্যালয় (Punjab university) স্থাপন কৰা হয়। ১৮১৭ চনত এলাহাবাদ বিশ্ববিদ্যালয় (Allahabad University), পাঞ্জাৱ বিশ্ববিদ্যালয় দেশীয় শিক্ষানুষ্ঠান লাহোৰ বিশ্ববিদ্যালয় কলেজৰ (Lahore university College) পৰা বিকশিত হয়। ইয়াত প্ৰাচ্য শিক্ষা প্ৰদান কৰা হৈছিল। পিছলৈ ইয়াত এটা আইন বিভাগ (Law Department) সংযোগ কৰা হয়। প্ৰাচ্য শিক্ষাৰ বাবে মাতৃভাষাত শিক্ষা প্ৰদান কৰা হৈছিল। ইয়াৰ মাধ্যম আছিল উৰ্দু ভাষা। আৰবী, পাৰ্চী আৰু সংস্কৃত ভাষাৰ ওপৰতো ডিগ্ৰী আৰু ডিপ্লোমা প্ৰদান কৰা হৈছিল।

১৮৬৯ চনত উত্তৰ-পশ্চিম প্ৰদেশত (North-Western Province) এখন বিশ্ববিদ্যালয় স্থাপনৰ পোষকতা কৰা হয়। গতিকে এলাহাবাদত ভাড়াঘৰ এটাত এখন কেন্দ্ৰীয় মহাবিদ্যালয় (Central College) স্থাপন কৰা হয়। এইখন ১৮৭২ চনৰ ১ জুলাইত লেফ্‌টেনেন্ট গভৰ্ণৰ (N-W Province) লৰ্ড মুইৰ (Lord Muir) য়ে স্থাপন কৰে, যিখন পিছলৈ বিশ্ববিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে। এই বিশ্ববিদ্যালয়ে পৰীক্ষা আৰু শিক্ষাদান কাৰ্য সম্পন্ন কৰিছিল।

১৯ শতিকাৰ শেষলৈ ভাৰতবৰ্ষত পাঁচখন বিশ্ববিদ্যালয় স্থাপন কৰা হয়। গোটেইকেইখন বিশ্ববিদ্যালয়তে পাঠ্যক্ৰম প্ৰায় একেধৰণৰ আছিল। ইয়াৰ পিছত মাদ্ৰাছ বিশ্ববিদ্যালয়ৰ বাহিৰে বাকী আটাইকেইখনে বিজ্ঞান শাখা প্ৰৱৰ্তন কৰি বি. এছ. চি. ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা কৰে।

আয়োগৰ পৰামৰ্শমতে ভাৰতবৰ্ষত মহাবিদ্যালয়ৰ সংখ্যা যথেষ্ট পৰিমাণে বৃদ্ধি পায়। ইয়াৰ ফলস্বৰূপে মহাবিদ্যালয় স্তৰত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পায়। ফলত কলেজসমূহে স্নাতকোত্তৰ শিক্ষাৰ বাবে শিক্ষাদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হ'ল। গতিকে আয়োগে পিছলৈ বেচৰকাৰী পৃষ্ঠপোষকতাত উচ্চ শিক্ষাৰ শিক্ষানুষ্ঠান স্থাপনৰ ওপৰত গুৰুত্ব দিয়ে। ১৯০২ চনত খ্ৰীষ্টিয়ান কলেজৰ সংখ্যা ৩৭ খন আৰু প্ৰাইভেট কলেজৰ সংখ্যা ৪২ খন হয়। ১৮৮২ চনত ইয়াৰ মুঠ সংখ্যা ৬৮ খনৰপৰা ১৯০২ চনত ১৭৯ খনলৈ বৃদ্ধি পায়। ইয়াৰে ভিতৰত ৯ খন সিংহল আৰু ২ খন বাৰ্মাত স্থাপিত হয়। বৃটিছ শাসিত ভাৰতবৰ্ষত ১২ খন স্ত্ৰীশিক্ষাৰ কলেজ আৰু ১১ খন ইউৰোপীয়ানসকলৰ বাবে আছিল। খ্ৰীষ্টিয়ানসকলে আয়োগৰ পৰামৰ্শত বিতুষ্ট হৈ শিক্ষাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰাত পিছলৈ ইয়াৰ ভাৰ ভাৰতীয়সকলে গ্ৰহণ কৰে।

১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ স্থাপন হোৱাৰ পাছত জাতীয় আন্দোলনে শিক্ষাৰ প্ৰগতিৰ ক্ষেত্ৰত অভাৱনীয় ৰূপ গ্ৰহণ কৰিছিল। হাইস্কুলসমূহক মহাবিদ্যালয়লৈ ৰূপান্তৰ কৰা হৈছিল। যদিও এই শিক্ষানুষ্ঠানসমূহৰ দায়িত্বত ইংৰাজ ব্যক্তি আছিল তথাপিও শিক্ষাব্যৱস্থাক এটা জাতীয় ৰূপ দিবলৈ চেষ্টা কৰা হৈছিল। সেইসময়ত উপযুক্ত ভাৰতীয় লোকৰ অভাৱ অনুভৱ কৰা হৈছিল যিয়ে এই অনুষ্ঠানসমূহৰ নেতৃত্ব দিব পাৰে। আৰ. পি. পৰঞ্জাপেৰ (R.P Paranjape) নেতৃত্বত কিছু বিদ্যোৎসাহী ব্যক্তিয়ে চৰকাৰী উচ্চ পদৰ যোগদানৰ পৰা বিৰত থাকি এই অনুষ্ঠানসমূহৰ দায়িত্ব গ্ৰহণ কৰে। বাল গংগাধৰ তিলক, ভি, কে চিপ্‌লোওকাৰ, জি. জি. আগাৰকাৰৰ নেতৃত্বত পুণেত ফাৰ্গুচন কলেজ স্থাপিত হয়। সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ নেতৃত্বত কলিকতাত ৰিপন কলেজ আৰম্ভ হয়। আৰ্য সমাজৰ আন্দোলনে ভাৰতীয় মনোভাৱত জাতীয় ভাবৰ সৃষ্টিৰ এক নৱজাগৰণৰ সূত্ৰপাত কৰে। আৰ্য সমাজৰ নেতৃত্বত ১৮৮৬ চনত লাহোৰথ দয়ানন্দ এংলো-বৈদিক কলেজ (Dayananda Agnlo-Vedic College) স্থাপন কৰা হয়। ১৮৮৯ চনত ড. এনি বেচান্তৰ পৃষ্ঠপোষকতাত বাৰাণসীত বিখ্যাত চেন্ট্ৰেল হিন্দু কলেজ স্থাপিত হয়, যিখন পিছলৈ বেনাৰস হিন্দু বিশ্ববিদ্যালয় (Benaras Hindu University) হিচাপে স্বীকৃতি লাভ কৰে।

## মাধ্যমিক শিক্ষা (Secondary Education) :

সেই সময়ছোৱাত মাধ্যমিক শিক্ষাৰ অভূতপূৰ্ব বিকাশ হৈছিল। ১৮৮২ চনত মাধ্যমিক স্কুলৰ সংখ্যা ৩,৯১৬ খনৰপৰা ১৯০২ চনত ৫,১২৪ খন হৈছিলগৈ। সেইদৰে ছাত্ৰসংখ্যা ২,১৪,০৭৭ জনৰপৰা ৫,৯০,১২৯ জনলৈ বৃদ্ধি পাইছিল। এইক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ বৰঙনি অধিক আছিল। আয়োগে মাধ্যমিক শিক্ষাৰ বিকাশৰ দিশত অধিক গুৰুত্ব দিছিল। কিছুমান স্কুলে সাহায্য অনুদান (Grant-in-aid) চৰকাৰৰপৰা লাভ কৰাৰ বিপৰীতে কিছুসংখ্যক স্কুল অস্তিত্বৰ সংকটত ভুগিছিল। ছাত্ৰ-ছাত্ৰীৰ মাচুল আৰু সদস্যসকলৰ অৰিহণাৰ বাহিৰে এই স্কুলসমূহৰ আয়ৰ আন উৎস নাছিল। শিক্ষা বিভাগেও এই স্কুলসমূহৰ ওপৰত হস্তক্ষেপ কৰিব পৰা নাছিল।

আয়োগে 'B'-Course ৰ অধীনত বাণিজ্য আৰু ঔদ্যোগিক বিষয় অন্তৰ্ভুক্ত কৰাৰ পৰামৰ্শ দিছিল। কিন্তু ১৯ শতিকাৰ শেষলৈ এই বিষয়সমূহে বিশেষ জনপ্ৰিয়তা অৰ্জন কৰিব নোৱাৰিলে। বৰ্তমানেও ভাৰতীয় শিক্ষাব্যৱস্থাত মেট্ৰিক পৰীক্ষাৰ গুৰুত্ব সৰ্বাধিক। তথাপিও বেছিভাগ প্ৰদেশেই শিক্ষাব্যৱস্থাত ব্যৱহাৰিক বিষয় অন্তৰ্ভুক্ত কৰিবলৈ কিছু পৰিমাণে হলেও সক্ষম হৈছিল। মাদ্ৰাছ চৰকাৰে ১৮৮৮ শিক্ষানুষ্ঠানসমূহত কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰিছিল। ১৮৯৭ চনত বোম্বে (Bombay) চৰকাৰে 'হাইস্কুল শিক্ষান্ত পৰীক্ষা' (School Leaving Certificate) ৰ আৰম্ভণি কৰে আৰু এই পৰীক্ষাত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভ কৰাৰ সুযোগ পাইছিল। এই পাঠ্যক্ৰমত শাৰিৰীক



বিজ্ঞান, অৰ্থনীতি, কৃষি, হস্ত শিল্পৰ প্ৰশিক্ষণ আদি বিষয় অন্তৰ্ভুক্ত কৰা হৈছিল। এই শিক্ষাক জনপ্ৰিয় কৰিবলৈ চৰকাৰে ৰাজ্য চৰকাৰৰ অধীনত চাকৰি লাভ কৰিবলৈ মেট্ৰিক পৰীক্ষা পাছ কৰাটো বাধ্যতামূলক কৰিছিল। ১৮৯৪ চনত এলাহাবাদ বিশ্ববিদ্যালয়ে স্কুল শিক্ষান্ত পৰীক্ষা (School Final) প্ৰবৰ্ত্তন কৰে। পাঞ্জাৱ বিশ্ববিদ্যালয়ে গাণণিক আৰু বাণিজ্য বিষয়ত শ্ৰেণী আৰম্ভ কৰে। বংগ চৰকাৰেও কেৰাণী আৰু অভিযন্তা সৃষ্টি কৰিবলৈ এক বিশেষ পাঠ্যক্ৰম প্ৰৱৰ্ত্তন কৰে। ১৯০২ চনলৈ ২৩,০০০ শিক্ষাৰ্থীয়ে এই পৰীক্ষাত অৱতীৰ্ণ হয়, আনহাতে বৃত্তিমূলক বিষয়ত মাত্ৰ ২,০০০ প্ৰাৰ্থী অৱতীৰ্ণ হয়।

যদিও হান্টাৰ আয়োগৰ পৰামৰ্শমতে মাধ্যমিক শিক্ষাৰ যথেষ্ট উন্নতি হয়, তথাপিও শিক্ষাৰ মাধ্যম সম্পৰ্কে কোনো নিৰ্দিষ্ট নীতি নথকাত কোনো এখন প্ৰদেশতে মাতৃভাষা শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহৃত নহল। গতিকে দেশীয় ভাষাৰ বিশেষ উন্নতি হোৱা দেখা নগল। তদুপৰি মাধ্যমিক শিক্ষাই ইংৰাজী জ্ঞান আহৰণৰ পথহে মুকলি কৰি দিলে। যিহেতু ইংৰাজী ভাষা মাতৃভাষাৰ পৰিৱৰ্তে ব্যৱহাৰ কৰিবলগীয়া হৈছিল, গতিকে ভাষা শিকাৰ ওপৰতহে অধিক গুৰুত্ব দিবলগীয়া হোৱাত বিষয়বস্তুৰ সম্পূৰ্ণ জ্ঞান আহৰণ কৰোতে কঠোৰ অধ্যাৱসায়ৰ প্ৰয়োজন হৈছিল।

## প্ৰাথমিক শিক্ষা (Primary Education) :

হান্টাৰ আয়োগে প্ৰাথমিক শিক্ষাৰ ভাৰ মিউনিচিপালিটি আৰু স্থানীয় বোৰ্ডে লোৱাৰ বাবে পৰামৰ্শ দিছিল। ইয়াৰদ্বাৰা যদিও প্ৰাথমিক শিক্ষাৰ বিস্তাৰত কিছু পৰিমাণে সহায়ক হৈছিল, তথাপিও আশা কৰামতে ফল লাভ কৰা নগৈছিল। দেশীয় প্ৰথামিক শিক্ষানুষ্ঠানৰ অৱস্থা বেয়ালৈ ঢাল খাইছিল। যত স্থানীয় লোক যথেষ্ট পৰিমাণে পিছপৰা আছিল সেই ঠাইত চৰকাৰে স্কুল স্থাপন কৰি দিছিল।

স্থানীয় বৰ্ডে শিক্ষাৰ শিতানত খৰছ কৰিবলগীয়া ধনৰ পৰিমাণ ঠিক কৰি দিয়া হৈছিল। প্ৰাথমিক শিক্ষাৰ বাবে ধাৰ্য কৰা ধন একমাত্ৰ এই শিতানতহে খৰচ কৰিব পাৰিছিল। স্কুললৈ সহায়ক অনুদান আগবঢ়াওতে প্ৰাদেশিক চৰকাৰে কিছুমান নীতি নিৰ্ধাৰণ কৰি দিছিল। বম্বে চৰকাৰে স্থানীয় কৰ্তৃপক্ষই প্ৰাথমিক শিক্ষাৰ বাবে খৰচ কৰা মুঠ ধনৰ আধাখিনি প্ৰদান কৰিবলগীয়া হৈছিল। মাদ্ৰাছ চৰকাৰে ৰাজহ সংগ্ৰহৰ পৰা পোৱা মুঠ ধনৰ পাচ শতাংশ শিক্ষাৰ বাবে খৰচ কৰিবলগীয়া হৈছিল। সেইদৰে বংগ, যুক্তৰাজ্যিক প্ৰদেশ, পাঞ্জাৱ, অসম আৰু কেন্দ্ৰীয় প্ৰদেশসমূহে স্থানীয় কৰ্তৃপক্ষক স্কুললৈ সাহায্য আগবঢ়োৱাৰ ক্ষেত্ৰত নীতি-নিৰ্ধাৰণ কৰি দিছিল।

ইংৰাজসকলে ভাৰতবৰ্ষত এক কেন্দ্ৰীয় শাসন ব্যৱস্থাৰ প্ৰবৰ্ত্তন কৰিবলৈ আৰম্ভ কৰিছিল, যাৰ ফলত গ্ৰাম্যজীৱনৰ সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ব্যৱস্থালৈ কৃত্ৰিমতা আহি পৰিছিল। কেন্দ্ৰীয় প্ৰশাসনে নিজাকৈ প্ৰশাসনিক নীতি নিয়ম নিৰ্ধাৰণ কৰিছিল। গ্ৰাম্য অঞ্চলৰ গণতান্ত্ৰিক ব্যৱস্থাৰ অৱনতিয়ে দেশীয় শিক্ষাব্যৱস্থাৰ ওপৰত বেয়াকৈ প্ৰভাৱ পেলাইছিল। শিক্ষাৰ ওপৰত চৰকাৰী প্ৰভাৱ

বেছিকৈ পৰিবলৈ আৰম্ভ কৰিছিল। ১৯ শতিকাৰ শেষলৈ প্ৰাচীন কালৰপৰা চলি অহা দেশীয় শিক্ষাৰ স্কুলসমূহ অস্তিত্বৰ সংকটত পৰিবলৈ আৰম্ভ কৰিলে। কিছুমানৰ অস্তিত্ব বিপন্ন হ'ল আৰু কিছুমান ৰাজ্যসমূহৰ শিক্ষাব্যৱস্থাৰ লগত মিহলি হৈ গ'ল। আৰ্থিক দুৰ্বলতাই শিক্ষাৰ সলনি ব্যক্তিৰ মন জীৱিকা নিৰ্বাহৰ ফালেহে ঢাল খুৱাবলৈ আৰম্ভ কৰিলে। বেছিভাগ মধ্যবিত্ত লোকেই ব্যৱসায়-বাণিজ্য আৰু কৰ্মৰ সন্ধানত চহৰ অঞ্চললৈ প্ৰব্ৰজন কৰিবলৈ আৰম্ভ কৰিলে।

যদিও স্থানীয় প্ৰশাসনে প্ৰাথমিক শিক্ষাৰ বাবে যথেষ্ট ব্যয় কৰিছিল, চৰকাৰে এইক্ষেত্ৰত আওকণীয়া মনোভাৱ গ্ৰহণ কৰিছিল। ১৯ শতিকাৰ শেষলৈ প্ৰাথমিক শিক্ষাৰ যথেষ্ট বিস্তাৰ হোৱা সত্বেও ইয়াৰ গুণগত বিকাশ সাধন হোৱা নাছিল। ভিতৰুৱা অঞ্চললৈও প্ৰাথমিক শিক্ষাৰ প্ৰসাৰ হৈছিল। একমাত্ৰ যোগ্য শিক্ষানুষ্ঠানসমূহ বৰ্তি থকা দেখা গৈছিল।

## মিছনেৰী উদ্যোগ (Missionary Enterprise) :

হান্টাৰ আয়োগৰ পৰামৰ্শমতে মিছনেৰীসকলৰ শিক্ষাৰ ওপৰত থকা দায়িত্ব যথেষ্ট পৰিমাণে কমি গ'ল। কাৰণ আয়োগে বেচৰকাৰী প্ৰতিষ্ঠান আৰু যোগ্য ভাৰতীয়লোকৰ উদ্যোগত শিক্ষাৰ দায়িত্বভাৰ থকাটো বিচাৰিছিল। কিন্তু মিছনেৰীসকলৰ ধৰ্মীয় যথেষ্টা নিম্নগামী হবলৈ আৰম্ভ কৰিছিল। গতিকে তেওঁলোকে শিক্ষাৰ নীতি সলনি কৰি সৰ্বসাধাৰণৰ মাজত শিক্ষা বিস্তাৰৰ ওপৰত গুৰুত্ব দিলে। উচ্চ শিক্ষাৰ ওপৰত তেওঁলোকৰ প্ৰভাৱ কমাই আনিবলৈ ধৰিলে। তেওঁলোকে খিলঞ্জীয়া জনজাতি আৰু পাহাৰীয়ালোকৰ মাজত ধৰ্মপ্ৰচাৰৰ উদ্দেশ্যে শিক্ষাবিস্তাৰ কৰিবলৈ আৰম্ভ কৰিলে। এইক্ষেত্ৰত তেওঁলোক যথেষ্ট সফল হোৱা দেখা গ'ল। এক বুজন সংখ্যকলোকক তেওঁলোকক খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত স্থাপন কৰিলে। ১৮৮৪ চনত ইন্দোৰত ইণ্ডিয়ান খ্ৰীষ্টিয়ান কলেজ (Indian Christian College) ১৮৮৯ চনত শিয়ালকোটত মূৰে কলেজ (Murray College), ১৮৯২ চনত হাপুৰত খ্ৰীষ্ট চাৰ্চ কলেজ (Christ Church College) আৰু ১৮৯৩ ৰাৱালপিণ্ডিত গৰ্ডন কলেজ (Gardon College) স্থাপন কৰে। মিছনেৰীসকলে ক্ৰমান্বয় শিক্ষা আৰু ধৰ্ম প্ৰচাৰৰ মাজৰ পাৰ্থক্য বুজিবলৈ আৰম্ভ কৰে।

**প্ৰশ্নাৱলী ঃ**

১। বোৰ্ড অফ কোণ্ট্ৰোলৰ (Board of Control) সভাপতি কোন আছিল?
Who was the Chairman of Board of Control?

২। উডৰ পৰামৰ্শমতে স্থাপন হোৱা দুখন বিশ্ববিদ্যালয়ৰ নাম লিখা।
Write the name of two Universities established as per as suggestions of Wood's Despatch.



৩। কিমান চনত আৰু কোনে হাণ্টাৰ আয়োগ নিযুক্তি হৈছিল?
In which year and who had appointed Hunter Commission?

৪। কিমান চনত হাণ্টাৰ আয়োগে প্ৰতিবেদন দাখিল কৰিছিল?
In which year Hunter Commission had submitted its report?

৫। সহায়ন অনুদান দিয়াৰ বাবে উডৰ প্ৰতিবেদনে আগবঢ়োৱা দুটা চৰ্ত্ত লিখা।
Write two conditions given by Wood's Despatch for giving Grant-in-aid.

৬। শিক্ষাৰ মাধ্যমৰ ওপৰত উদৰ প্ৰতিবেদনৰ মতামত কেনেকুৱা আছিল?
What were views of Wood's Despatch on medium of instruction?

৭। হাণ্টাৰ আয়োগ গঠন হোৱাৰ কাৰণসমূহ কি কি?
What were the causes of constituting Hunter Commission?

৮। মাধ্যমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগ প্ৰদান কৰা দুটা পৰামৰ্শ লিখা।
Write two suggestions given by Hunter Commission on Secondary Education.

৯। "ফলাফলৰ ভিত্তিৰ পদ্ধতি কোনে প্ৰয়োগ কৰিছিল?"
Who introduced the system of "Payment by result"?

১০। বৃটিছ ভাৰতৰ শিক্ষাৰ বিকাশত উডৰ প্ৰতিবেদনৰ পৰামৰ্শসমূহ আলোচনা কৰা।
Discuss the recommendations of Wood's Despatch in the Development of Education in British India.

১১। উডৰ প্ৰতিবেদনৰ প্ৰধান পৰামৰ্শসমূহ কি কি? ভাৰতবৰ্ষত শিক্ষাৰ বিকাশত কেনেকৈ এই পৰামৰ্শসমূহে সহায় কৰিছিল?
What are the main suggestions of Wood's Despatch? How far did these suggestions help in the development of education in India.

১২। ১৮৫৪ চনৰ উডৰ প্ৰতিবেদনৰ মূল পৰামৰ্শসমূহ কি আছিল? ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত ই কেনেধৰণৰ প্ৰভাৱ পেলালে, আলোচনা কৰা।
What were the main recommendations of Wood's Despatch? How far it affect on Indian education. Discuss.

১৩। ১৯৫৪ চনৰ উডৰ প্ৰতিবেদনৰ মূল পৰামৰ্শসমূহ কি আছিল। এই পৰামৰ্শসমূহ কিমান দূৰ কাৰ্য্যকৰী কাৰ হৈছিল, আলোচনা কৰা।
Mention the main recommendations of Wood's Despatch. Do you agree to call the Despatch as "the Magna Carta" of Indian education. Support your view with reasons.

১৪। উডৰ প্ৰতিবেদনৰ মূল পৰামৰ্শসমূহ উল্লেখ কৰা। ভাৰতীয় শিক্ষাত ইয়াক "মেগ্না কাৰ্টা" বুলি কোৱাটো যুক্তি সংগত নে? তোমাৰ সমৰ্থনত উত্তৰ দিয়া।

Mention main recommentions of the wood's Despatch. Is it justified to call it the "Magna Carta" Of Indian educartion?

১৫। "উডৰ প্ৰতিবেদন ভাৰতীয় শিক্ষাপ মেগ্না কাৰ্টা।" আধুনিৰ ভাৰতৰ শিক্ষা বিভাগৰ পৰিপেক্ষিতত এই উক্তিৰ যৰ্থাথতা বিচাৰ কৰা।

"Wood's Despatch is the Magna Carta of Indian Education." Discuss the significance of this statement with regard to the development of modern Indian education.

১৬। ১৮৫৪ চনৰ উডৰ প্ৰতিবেদনৰ মূল পৰামৰ্শসমূহ কি আছিল? ভাৰতৰ শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱসমূহ কি কি? আলোচনা কৰা।

What were the main recommendations of Wood's Despatch? What were the effects of the Despatch on the Indian education. Discuss.

১৭। ১৮৫৪ চনৰ উডৰ প্ৰতিবেদনে কিদৰে ভাৰতৰ বৰ্ত্তমান শিক্ষা ব্যৱস্থাত ভেঁটি স্থাপন কৰিলে দেখুৱাই দিয়া। ভাৰতীয় শিক্ষাত প্ৰতিবেদনক কিয় "মেগ্না কাৰ্টা" বুলি কোৱা হয়?

Show how Wood's Despatch of 1854 lay the foundation of the present system of education in India? Whay is it called the "Magna Carta" of Indian education.

১৮। প্ৰাথমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহৰ চমু বৰ্ণনা দিয়া। ইয়াৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰা।

Give a brief accounts of recommendations of Hunter Commission on its impact.

১৯। মাধ্যমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ আলোচনা কৰা।

Discuss the recommendations of Hunter Commission Secondary Education.

২০। হাণ্টাৰ আয়োগৰ মাধ্যমিক শিক্ষাৰ ওপৰত পৰামৰ্শসমূহ আৰু তাৰ ফলাফলসমূহ আলোচনা কৰা।

Discuss Hunter commission's suggestions on secondary education and their effects.

২১। মাধ্যমিক শিক্ষাৰ ওপৰত হাণ্টাৰ আয়োগৰ এক চমু বিৱৰণ দিয়া। মাধ্যমিক শিক্ষাৰ ওপৰত তুমি কেনেকুৱা ধৰণৰ ফলাফল নিৰীক্ষণ কৰিবা?

Give a brief account of Hunter commission's recommendations on secondary education. What effects do you observe of the recommendations on secondary education?



২২। ভাৰতীয় মাধ্যমিক শিক্ষা সংগঠন আৰু প্ৰশাসনীয় দিশত হাণ্টাৰ আয়োগৰ কি কি পৰামৰ্শ আছিল? সময়ত এই পৰামৰ্শবোৰে কিদৰে মাধ্যমিক শিক্ষাৰ বিকাশত সহায় কৰিছিল?

What were the suggestions of Indian education commission regarding organization and administration of secondary education in India? How did these suggestions help in the development of secondary education in subsequent period?

২০। ভাৰতীয় শিক্ষাত হাণ্টাৰ আয়োগৰ অৱদানসমূহ আলোচনা কৰা।

Discuss the Contribution of Hunter Commission in the field of Indian education.

•••